Prerona Pratibandhi NGO

# আমাৰ আশা

## প্ৰেৰণা শিশু গৃহ শিশুসকলৰ
## উমৈহতীয়া জন্মদিনৰ মুখপত্ৰ



প্ৰতি,

শ্ৰীযুত/শ্ৰীযুতা ..............................................................

..............................................................................ৰ হাতত।

**আমাৰ আশা ঃ** প্ৰেৰণা শিশু গৃহ শিশুসকলৰ উমৈহতীয়া জন্মদিনৰ উপলক্ষে প্ৰকাশিত বছৰেকীয়া মুখপত্ৰ।

প্ৰকাশক ঃ প্ৰেৰণা প্ৰতিবন্ধীৰ হৈ সম্পাদনা সমিতিৰ দ্বাৰা প্ৰকাশিত।
প্ৰকাশ কাল ঃ ১১ এপ্ৰিল, ২০২৫ খ্ৰীষ্টাব্দ।

সম্পাদনা সমিতি ঃ শ্ৰীযুতা জ্যোৎস্না সোনোৱাল
শ্ৰীমতী পাপৰি বৰুৱা
শ্ৰীমতী গায়ত্ৰী বড়া
শ্ৰীমতী বিভা সেনচোৱা
শ্ৰী বিৰু কুমাৰ সিং
শ্ৰী মহেশ কৈৰী
শ্ৰী নিৰ্মল সেনচোৱা

বেটুপাত পৰিকল্পনা ঃ ৰিজুমণি চেতিয়া
লীনা পাঠক
প্ৰেৰণা শিশুগৃহ

বেটুপাত অলংকৰণ ঃ বিভাস বৰ্মণ।

মুদ্ৰণ ঃ মহাবাহু অফছেট প্ৰেছ
জনজাতি কল্যাণ ভৱন
চৌকিদিঙ্গি, ডিব্ৰুগড়-০৩
ভ্ৰাম্যভাষ ঃ ৯৪৩৫০৫১৫৪৭।

# উছৰ্গা

বিশ্বৰ সকলো শিশুৰ হাতত...

# কৃতজ্ঞতা জ্ঞাপন

- জিলা আয়ুক্ত মহোদয়, ডিব্ৰুগড়
- সচিব, জিলা আইন সেৱা প্ৰাধিকৰণ মহোদয়, ডিব্ৰুগড়
- ডাঃ সঞ্জীৱ কাকতি, অধ্যক্ষ, অধ্যক্ষ, অসম চিকিৎসা মহাবিদ্যালয়
- ৰাজ্যিক প্ৰগ্ৰোম মেনেজাৰ, ৰাজ্যিক শিশু সুৰক্ষা, অসম
- জিলা শিশু সুৰক্ষা বিষয়া মহোদয়, ডিব্ৰুগড়
- ডাঃ আলোক চৰকাৰ ডাঙৰীয়া
- সমূহ লেখক-লেখিকা
- শিশু কল্যাণ সমিতি, ডিব্ৰুগড়ৰ সমূহ বিষয়ববীয়া
- জিলা শিশু সুৰক্ষা গোট, ডিব্ৰুগড়ৰ সমূহ বিষয়ববীয়া
- প্ৰেৰণা শিশু গৃহৰ শিশুসকল
- প্ৰেৰণা প্ৰতিবন্ধী N.G.O.
- মহাবাহু অফছেট প্ৰেছ।

**BIKRAM KAIRI, IAS**
**DISTRICT COMMISSIONER &**
**DISTRICT MAGISTRATE, DIBRUGARH**

সত্যমেৱ জয়তে

দিনাংক : ২ এপ্ৰিল, ২০২৫

## শুভেচ্ছাবাণী

ডিব্ৰুগড়ৰ দিব্যাঙ্গ স্বেচ্ছাসেৱী অনুষ্ঠান প্ৰেৰণা প্ৰতিবন্ধীৰ উদ্যোগত প্ৰেৰণা শিশুগৃহৰ শিশুসকলৰ **উমৈহতীয়া জন্মদিন** ইংৰাজী ১১ এপ্ৰিল, ২০২৫ তাৰিখে পালন কৰিবলৈ লোৱা হৈছে বুলি জানিবলৈ পাই আনন্দিত হৈছোঁ। শিশুসকলৰ উমৈহতীয়া জন্মদিনৰ এই অনুষ্ঠানৰ লগত সঙ্গতি ৰাখি **'আমাৰ আশা'** শীৰ্ষক এখনি আলোচনী প্ৰকাশ কৰিবলৈ লোৱা আপোনালোকৰ সিদ্ধান্ত অতি আদৰণীয়।

সমাজৰ আৰ্ত শিশুসকলক সামাজিক সংবেদনশীলতাৰে সহায়ৰ হাত আগবঢ়াই প্ৰেৰণা শিশুগৃহই প্ৰতিষ্ঠা কালৰে পৰাই মানৱতাৰ নিদৰ্শন দেখুৱাই আহিছে। সমাজৰ বিভিন্ন শ্ৰেণীৰ প্ৰতিজন ব্যক্তিয়ে নিজা ক্ষমতা, পাৰদৰ্শিতা আৰু জ্ঞানেৰে আৰ্ত শিশুসকলৰ জীৱন পথত জোনাক ছটিয়াই দিয়াৰ চেষ্টাত ব্ৰতী হ'লে সমাজখন আলোকসন্ধানী পথেৰে আগুৱাই যোৱাটো ধ্ৰুৱপ। শাৰীৰিক প্ৰতিবন্ধকতা আৰু অন্যান্য সমস্যাত আক্ৰান্ত শিশুসকলক সমাজখনে মানৱ সম্পদৰূপে গঢ় দিবলৈ সততাৰে কিছু প্ৰচেষ্টা আগবঢ়ালেই হয়তো তেওঁলোকেও বিশ্ববিশ্ৰুত বিজ্ঞানী ষ্টিফেন হকিং, বিখ্যাত নৃত্য পটিয়সী সুধা চন্দ্ৰন নাইবা সমাজ সচেতক পেৰাচাইক্লিষ্ট অসম সন্তান ৰাকেশ বনিকৰ দৰে জীৱন গঢ় দিবলৈ অনুপ্ৰাণিত হ'ব; আৰু শিশুসকল মানসিকভাৱে উজ্জীৱিত হৈ আত্মবিশ্বাসেৰে সৈতে সমস্বৰে গাবলৈ সক্ষম হ'ব – "আমি হ'ম হ'মেই সফল, আমি হ'ম হ'মেই সফল"।

প্ৰেৰণা শিশুগৃহৰ শিশুসকলৰ উমৈহতীয়া জন্মদিন পালনৰ উদ্যোগ লোৱা ডিব্ৰুগড়ৰ অগ্ৰণী বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা প্ৰেৰণা প্ৰতিবন্ধীৰ নিঃস্বাৰ্থ সমাজ-হিতৈষী কৰ্মৰাজিৰ শলাগ লৈছোঁ আৰু উমৈহতীয়া জন্মদিন অনুষ্ঠানটিৰ সফলতা কামনা কৰিছোঁ। শিশুসকলৰ উমৈহতীয়া জন্মদিন অনুষ্ঠানটিৰ লগত সঙ্গতি ৰাখি প্ৰকাশ পাবলগীয়া **'আমাৰ আশা'** শীৰ্ষক আলোচনীখনি সৰ্বাঙ্গসুন্দৰ ৰূপত প্ৰকাশ হোৱাৰ কামনাৰে প্ৰেৰণা প্ৰতিবন্ধীৰ বিষয়ববীয়াসকল আৰু আলোচনীখনৰ সম্পাদকলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

(বিক্ৰম কৈৰী, ভাঃ প্ৰঃ সেঃ)
**জিলা আয়ুক্ত, ডিব্ৰুগড় জিলা**

**Phone :** (0373) 2316063 (O) / 2316062 (R) **Fax :** (0373) 2316034 (O) / 2313800 (R) **E-mail :** dc-dibrugarh@nic.in

OFFICE OF THE
DISTRICT LEGAL SERVICES AUTHORITY :: DIBRUGARH
District & Sessions Judge Court Building, Dibrugarh-786001.
জিলা আইন সেৱা প্ৰাধিকাৰী :: ডিব্ৰুগড়-৭৮৬০০১

## Prerona – Empowering the citizens of tomorrow.

"Children are the world's most valuable resource and its best hope for the future." - John F. Kennedy.

If any nation wants to build a prosperous and sustainable future, it must invest in the overall development of its most potent resource, its children, for a child of today carries within it the promise of an enriching tomorrow. Thus, it is the moral duty of every parent, teacher, individual, society and government to protect and nurture the children so that they are given every opportunity to bloom into wonderful citizens of this country in particular and this world in general. In unfortunate scenarios where the parents or family of the children are unavailable or are otherwise unable to shoulder this sacred responsibility, it becomes the duty of the state and its responsible citizens to come together and fulfil this pious obligation. The Children Home run by Prerona Pratibandhi N.G.O. is great example of such an initiative in our beloved Dibrugarh district. I had the honour and privilege of visiting this institution at regular intervals and it gives me immense joy and satisfaction to note that the children lodged here are being nurtured with utmost love, affection and care. The team of dedicated individuals of the Children Home, led by the affable motherly figure Smt. Jyotsna Sonowal, take great care of each child who enters through their doorsteps and try and mould them into honest and responsible citizens of tomorrow. As this great institution gears up to celebrate the occasion of 'Collective Birthdays' of all the wonderful little residents of the Children Home, I wish nothing but the absolute best to the institution, its management, workforce and of course to the young prodigies residing there. May Prerona always live up to its name and inspire people all over by their vision, commitment and endeavours.

(Abhijit Saikia),
Secretary,
District Legal Services Authority,
Dibrugarh.

Secretary
District Legal Services Authority
Dibrugarh

# অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়
## ডিব্ৰুগড়, অসম



তাৰিখ ঃ ৪/০৪/২০২৫

## শুভেচ্ছাবাণী

ডিব্ৰুগড়ৰ চৌকিডিঙীৰ উদয়পুৰত 'প্ৰেৰণা প্ৰতিবন্ধী স্বেচ্ছাসেৱী অনুষ্ঠান'টোৱে সমাজৰ এক মহৎ কাম কৰি অহা বহু দিনৰ পৰাই আমি লক্ষ্য কৰি আহিছোঁ। 'প্ৰেৰণা শিশুগৃহ' নামৰ এটা প্ৰতিষ্ঠান গঠন কৰি আমাৰ সমাজৰ দুখীয়া আৰু অনাথ শিশুক এই প্ৰতিষ্ঠানত যত্নৰে সুৰক্ষা দি মানুহ গঢ়াৰ যি অবিৰত প্ৰয়াস কৰি আহিছে, সেয়া আজিৰ সভ্যতাৰ এক উল্লেখযোগ্য দিশ। 'প্ৰেৰণা শিশুগৃহ' কৰ্তৃপক্ষই প্ৰতিবছৰে ১১ এপ্ৰিল দিনটোত তাত বসবাস কৰা শিশুসকলৰ জন্মদিন পালন কৰি আহিছে। এইবাৰো শিশুসকলৰ জন্মদিন উদ্‌যাপন কৰিব আৰু সেই উপলক্ষ্যে 'আমাৰ আশা' শীৰ্ষক এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিবলৈ লোৱা কথাটোৱে মোক আনন্দিত কৰি তুলিছে। কিয়নো স্মৃতিগ্ৰন্থখনত প্ৰধানকৈ সেইসকল শিশুৰ গল্প, কবিতা, প্ৰবন্ধ আদিবোৰ সন্নিৱিষ্ট কৰিব। যাৰ দ্বাৰা শিশুসকলক উৎসাহিত কৰা হ'ব আৰু তেওঁলোকৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ উত্তৰণ ঘটিব।

গতিকে, মই আশা কৰিছোঁ এনে এক মহান উদ্দেশ্য লৈ অনুষ্ঠিত কৰিবলৈ লোৱা অনুষ্ঠানটো সাফল্যৰে মণ্ডিত হৈ উঠিব আৰু প্ৰকাশিতব্য স্মৃতিগ্ৰন্থখনিও সৰ্বাংগ সুন্দৰ হ'ব। সমূহ উদ্যোক্তালৈ মোৰ শুভকামনা জনালোঁ।

বিনীত

(ডাঃ সঞ্জীৱ কাকতি)
অধ্যক্ষ, অসম চিকিৎসা মহাবিদ্যালয়

**STATE CHILD PROTECTION SOCIETY, ASSAM**
*(A Government of Assam Organization)*
#46, Survey Bus Stop, Beltola Road, Guwahati-28
Ph:-7099046428, Email-scpsassam@gmail.com

No. SCPS (G) 131 /2024-25/19

Dated, Guwahati, the 3rd April,25

## শুভেচ্ছাবাণী

ডিব্ৰুগড় স্থিত প্ৰেৰণা প্ৰতিবন্ধীৰ শিশু গৃহটি শিশু ন্যায় বিচাৰ আইনৰ অধীনত পঞ্জীভূত এটি উদ্যোমি প্ৰতিষ্ঠান। উক্ত প্ৰতিষ্ঠানটোৱে ২০১৬ চনৰ পৰাই শিশুৰ যত্ন, সুৰক্ষা, শিক্ষা, সংস্কৃতি আৰু শিশুৰ পুনঃসংস্থাপনৰ বাবে অহৰ্নিশে কাম কৰি আহিছে। শিশুৰ সৰ্বোত প্ৰকাৰৰ মঙ্গল তথা শাৰীৰিক, মানসিক, বৌদ্ধিক আৰু আধ্যাত্মিক উতকৰ্ষ সাধন কৰাটোৱেই এই প্ৰতিষ্ঠানটোৰ মহত লক্ষ্য। সত্যম শিৱম সুন্দৰৰ জগতখনলৈ দেৱশিশুসকলক ধাবিতমান কৰিবলৈ প্ৰয়াস কৰাটো আৰু যোগ, ধ্যান আৰু বৌদ্ধিক চৰ্চাৰে আত্ম সংযম, আত্ম অনুভৱ, আৰু আত্ম উপলব্ধিৰ দ্বাৰা মানৱতাৰ প্ৰকৃত পৰিচয় দিব বিচৰাটো এই অনুষ্ঠানটোৰ এটা মহান লক্ষ্য। তাৰেই বহিঃপ্ৰকাশ ৰূপে **আমাৰ আশা** আলোচনীখন প্ৰকাশ কৰিব বিচৰাৰ বাবে মই ৰাজ্যিক শিশু সুৰক্ষা সমিতি, অসমৰ তৰফৰ পৰা তেওঁলোকক অশেষ ধন্যবাদ জনাইছো লগতে শুভেচ্ছা জাছিলো।

অশোক শৰ্মা
ৰাজ্যিক প্ৰগ্ৰেম মেনেজাৰ, শিশু সুৰক্ষা, অসম
ৰাজ্যিক শিশু সুৰক্ষা, অসম

GOVT. OF ASSAM
DEPARTMENT OF WOMEN & CHILD DEVELOPMENT

# DISTRICT CHILD PROTECTION OFFICE:DIBRUGARH

Lila Gogoi Path, Jiban Phukan Nagar, Dibrugarh District, Assam, Pin-786003
Email: dcpudibrugarh@gmail.com

No. DCPU/DBR/2957/2024-25/4142 Dated, Dibrugarh the .2nd April/2025.

## Message

As a chairman of the Management Committee of this prestigious institution (Prerona children home) it is my utmost pleasure to thank you all from the depth of my heart and looking forward and earnestly for Continuing involvement in the coming years.

I take this opportunity to thank the entire Prerona Pratibandhi family to keep this valued association Strong and steadfast so as to help the child in every situation. I have full belief that this will go a long way in ensuring constant improvement to the Prerona family. The foremost concern of this institution is for the safety and security of Children along with holistic development of all the inmate in framing their life.

Alex Doley

District Child Protection Officer
Dibrugarh

# অভিনন্দন বাৰ্তা

ডাঃ অশোক চক্ৰৱৰ্তী

এইবাৰ অসমৰ শিশুৰ কল্যাণত ব্ৰতী বহুত
প্ৰেৰণা শিশু গৃহ সুদীৰ্ঘ দহ বছৰ
উদযাপনী আৰু অভিনন্দনৰ অনুষ্ঠানত শিশু
সকলৰ লগত সংবৰ্দ্ধনা ও বিভিন্ন অনুষ্ঠানৰ
সৈতে সফল অনুষ্ঠান।

আমিয়ে প্ৰেৰণা যখন গঢ়িলোঁ তেতিয়া যেন
জীৱনৰ সকলো আৰু প্ৰেৰণাৰ প্ৰেৰণা
শৈশৱৰ শিশু, কিশোৰ, কিশোৰীয়ে যেন
নতুন দিনৰ বাবে আনন্দ উপভোগ কৰি
উঠি এক অনাবিল আত্মতৃপ্তি লাভ কৰে।
সেয়ে প্ৰেৰণা শিশু গৃহত শিশু, যুৱা আদি
সকলো উপভোগৰ উপাদান হওক সুন্দৰ
চাৰিত্ৰিক গঢ়ত। আৰু কিছু সময়ৰ
বাবে হ'লেও আনন্দত দিন পাৰ কৰি
নিজৰ মন সকলো হেৰুৱাৰ যাতনা কমায়।
আৰু উপস্থাপিত শিশুসকলৰ [illegible] মাজত
দিয়ে সকলো প্ৰতিভাবিত কৰিবলৈ পাই
নিজৰ তুলিকা আৰু আত্মবিশ্বাস যেন লাভে।
সকলো অভিভাৱক সহ শিক্ষক ব্ৰতী কৰ্মীসকল আৰু
নিয়মীয়া আৰ্থিক সাহায্য দিয়া নানা ধৰণৰ
ব্যক্তি - প্ৰতিষ্ঠানক, অভিভাৱক আৰু শিশুসকলৰ
শিক্ষক- শিক্ষয়িত্ৰী সকলোকে আন্তৰিক শুভেচ্ছা
সু- প্ৰতিষ্ঠিত নাৰী শিশু সেৱাৰ সকলো
দেশবাসী প্ৰেৰণা শিশু গৃহৰ সকলো
সদস্য-সদস্যাসকললৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু
অভিনন্দন জনালোঁ। লগতে সকলো শিশুৰ
জীৱনৰ উজ্জ্বল ভৱিষ্যত কামনাৰে আৰু কৃতজ্ঞতা।



# সম্পাদকীয়

নমস্কাৰ।

আজিৰ শিশু কাইলৈ দেশৰ ধৰণী। কণ কণ শিশুসকলৰ ওপৰতে আমাৰ ভৱিষ্যত। শিশুসকলক সুযোগ্য নাগৰিক গঢ়ি তুলিবলৈ ল'ৰালি কালতে উপযুক্ত পৰিৱেশ, সুশিক্ষা প্ৰদান কৰিব লাগিব। বৰ্তমান মাতৃৰ কোলাত থকা অৱস্থাত শিশুসকলক খেল-ধেমালি হিচাপে স্মাৰ্ট ফোন হাতত তুলি দিয়া হৈছে। এই ছবিখন শতকৰা নব্বৈ গৰাকীৰ মাতৃয়ে কোলাৰ সন্তানক নিচুকাবলৈ, আহাৰ খুৱাবলৈ, টোপনি নিয়াবলৈ স্মাৰ্ট ফোনটো দুগ্ধ পান কৰি থকা শিশুৰ হাতত তুলি দিছে। এই বদ অভ্যাসে এদিন এচাম উঠি অহা শিশুক কোনখন জগতলৈ লৈ যাব তাক বহলাই নক'লেও হ'ব।

প্ৰেৰণা শিশুগৃহৰ যিসকল বাসিন্দা শিশু, কিশোৰ-কিশোৰী আছে তেওঁলোকৰ সৈতে কাষত থাকি কেইটামান কথা ফটফটীয়াকৈ বুজা গৈছে যে, তেওঁলোকৰ এই সৰু কালত কৰা ভুল-ভ্ৰান্তি, দায়-দোষবোৰৰ মূলতে দায়ী সামাজিক পৰিৱেশ আৰু আমাৰ কিছু জ্যেষ্ঠসকলৰ শিশুসকলৰ প্ৰতি অৱহেলা তথা অমনোযোগিতা। গতিকে বিভিন্ন কৰ্মপন্থাৰে প্ৰেৰণাই এই সকল শিশু, কিশোৰ-কিশোৰীক সম্ভাৱনাৰ দুৱাৰখন খুলি লৈ যাবলৈ প্ৰয়াস কৰা হৈছে ভৱিষ্যতৰ উৰ্বৰা পথাৰলৈ।

শিশুসকলৰ সাহিত্য চৰ্চাৰ **'আমাৰ আশা'** মুখপত্ৰ অৰ্থৰ অভাৱত চতুৰ্থ সংখ্যালৈকে এটা দুটা কপিহে কৰি ৰখা হৈছে। বিশিষ্ট সাহিত্যিক শ্ৰীযুত প্ৰশান্ত শইকীয়াদেৱৰ সহায় দিহা-পৰামৰ্শ লাভ কৰাৰ ফলশ্ৰুতিত এই বছৰৰ আমাৰ আশা মুখপত্ৰখনি ছপাশাললৈ যাবলৈ সক্ষম হৈছে। ইয়াৰ বাবে শ্ৰীযুত শইকীয়াদেৱৰ লগতে তেখেতৰ সুযোগ্যা পত্নী শ্ৰীযুতা কুসুম সোনোৱাল

শইকীয়ালৈ প্ৰেৰণা পৰিয়ালৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। জিলা শিশু সুৰক্ষা গোট আৰু জিলা শিশু কল্যাণ কমিটিৰ সভানেত্ৰী সহ সদস্য-সদস্যাবৰ্গলৈ কৃতজ্ঞতা জনালোঁ। সৰ্ব শেষত কবি-সাহিত্যিক মৰমৰ মইনাসকললৈ আশীৰ্বাদ জনালোঁ। তেওঁলোকে সাহিতা চৰ্চা আগবঢ়াই নিলে এদিন অসমীয়া সাহিত্য জগতত খ্যাতি অৰ্জন কৰিব।

বিদ্যালয়লৈ নোযোৱা বা বিদ্যালয়ৰ লগত দীৰ্ঘদিনীয়া সম্পৰ্ক নথকা শিশু শিশুগৃহৰ আবাসী। এনে শিশুসকলৰ মাজত সাহিত্য চৰ্চা আৰম্ভ কৰা হৈছে। এই মুখপত্ৰখনিত শিশুসকলৰ লেখা, বাক্য গাঠনিৰ ওপৰত হাত দিয়া নাই। যেনে লেখিছে তেনেদৰে তেওঁলোকৰ লেখাসমূহ ৰাখিবলৈ চেষ্টা কৰা হৈছে।

সদৌ শেষত 'আমাৰ আশা' মুখপত্ৰখনি প্ৰকাশৰ কাম-কাজত অশেষ পৰিশ্ৰম আগবঢ়োৱা গায়ত্ৰী বড়ালৈ কৃতজ্ঞতা জনাইছোঁ। ছপাশাল মহাবাহুৰ শ্ৰীমান দীপক বৰুৱালৈও আমাৰ ধন্যবাদ জনাইছোঁ।

সম্পাদনা সমিতি<br>
'আমাৰ আশা'<br>
প্ৰেৰণা পৰিয়াল<br>
ডিব্ৰুগড়<br>
১১-০৪-২০২৫

# অনুক্ৰমণিকা

## শিশু সাহিত্য চ'ৰা

### গল্প শিতান

○ সত্যৰ বিচাৰ ✍ লিমা চেতিয়া /১৫
○ জোনাকীৰ মনৰ কথা ✍ জেচমিন পাটোৱাৰী /১৭
○ ৰীণাৰ সপোন ✍ বেবী আদিবাসী /১৯
○ দুখ ✍ মাইনা মাঝি /২২
○ মোৰ সৰু কালৰ কথা ✍ চাহিন বেগম /২৩
○ এটা কাছ, বান্দৰ আৰু ঘৰিয়ালৰ কাহিনী ✍ অভিজিৎ ৰাভা /২৪
○ অতিকৈ প্ৰিয় দিনটি শিশু গৃহৰ উমৈহতীয়া জন্মদিন—এঘাৰ এপ্ৰিল ✍ দিপাঞ্জলী গগৈ /২৫

### কবিতা কৰণি

○ শেষ হয় আকৌ নহয় ✍ নিতেন কৰ্মকাৰ /২৬
○ আকৌ পামনে ঘূৰাই সেই দিনবোৰ ✍ নিতেন কৰ্মকাৰ /২৮
○ এই ধুনীয়া পৃথিৱীখন চাবলৈ ✍ নিতেন কৰ্মকাৰ /২৯
○ কাৰোবাৰ হাত লাগি আছে ✍ নিতেন কৰ্মকাৰ /৩১
○ মই সপোনত ডুব গৈছো ✍ দেবাৰু মূড়া /৩২
○ প্ৰেৰণাৰ জয় গান ✍ লিমা চেতিয়া /৩৩
○ জোনাকৰ ৰাতি ✍ লিমা চেতিয়া /৩৪
○ সংকল্প ✍ লিমা চেতিয়া /৩৪
○ নাচা নাচা ✍ হৃষ্টিকা মণ্ডল /৩৫
○ জোনাকী পোহৰ ✍ লক্ষ্মী ৰাজভড় /৩৬
○ আমাৰ পৰিৱেশ ✍ জেচমিন পাটোৱাৰী /৩৭
○ ফুল ✍ নিজৰা পাটোৱাৰী /৩৮

○ কল্পনা ✍চুমিত কেওট /৩৯
○ ভাৱনা ✍চুমিত কেওট /৪০
○ সপোন ✍বিনেশ তাঁতী/৪১
○ মোৰ জীৱনৰ লক্ষ্য ✍ৰাজেশ কাশ্যপ/৪১
○ এই দিনবোৰ আকৌ ঘূৰাই পামনে ✍বিনেশ তাঁতী/৪২
○ লক্ষ্য ✍পল্লৱ জ্যোতি কোঁচ/৪৩
○ মিলিজুলি গীত এটি গোৱা ✍উমিত মাৰ্দী/৪৪
○ কেইটিমান বৰষুণৰ কবিতা—/৪৫-৪৮
✍অমৰ গোৱালা, ✍দিপাংকৰ চুংক্ৰাং, ✍মাইনা মাঝি, ✍ফুলেশ্বৰী মূড়া
✍বাণী মূণ্ডা, ✍প্ৰদূপ তাঁতী, ✍বিনেশ তাঁতী

**শিশু কল্যাণ কমিটিৰ বিষয়ববীয়াসকলৰ**
**প্ৰেৰণা শিশুগৃহৰ কৰ্মকৰ্তা আৰু প্ৰেৰণা প্ৰতিবন্ধী (N.G.O)**
**বিষয়ববীয়াসকলৰ একলম**

○ **Dear Friends and Supporters ✍Biru Kumar Singh/৫০**
○ সমাজ, সামাজিক দায়বদ্ধতা আৰু কিছু অনুভৱ ✍ড° গীতিমল্লিকা গগৈ/৫২
○ **Prerona–an Inspirational Home ✍Mrs. Rupa Rani Kour/৫৫**
○ হতাশাগ্ৰস্ততা ✍দিম্পী হাতীবৰুৱা/৫৮
○ **Primary Role of a Caregiver in a Child Care Institution/৬১**
**✍Gayatri Borah**
○ সততা ✍পাপৰি বৰুৱা/৬৩
○ জীয়াই থাকিবলৈ অলপ মৰমহে লাগে ✍সুৰভি দলে/৬৬
○ মোক বিচাৰো ✍পাপৰি বৰুৱা/৬৭
○ বৰষুণ ✍নীলিমা লাহন/৬৮
○ প্ৰেৰণা শিশুগৃহ ✍ৰেখা কোঁচ/৬৯
○ ফাগুনৰ ৰং ✍বিভা সেনচোৱা/৭০

○ প্ৰেৰণাৰ কিছু কথাৰ পাতনি/৭১
✍জ্যোৎস্না সোনোৱাল

গল্প

# সত্যৰ বিচাৰ

**লিমা চেতিয়া**
সপ্তম শ্ৰেণী

এখন গাঁৱত দুজন ককায়েক-ভায়েক আছিল। সিহঁতৰ মাজত বৰ মিল আছিল। তেওঁলোকৰ সৰুতে দেউতাক ঢুকাল, মাকৰ লগতে ডাঙৰ-দীঘল হৈছিল। তেওঁলোক দুজনৰ নাম আছিল ৰতন আৰু মণি। দুয়ো পঢ়াত বৰ ভাল আছিল। এদিন মণিয়ে ঘৰত এখন কিতাপ পালে। কিতাপখন সাধু কথাৰ কিতাপ। মণিয়ে ককায়েকক ক'লে—

মোৰ সাধু কিতাপখন মই বিচাৰি পালোঁ।

ককায়েকে ক'লে— "এইখন মোৰ হয়।"

"তোৰ নহয়, মোৰ হয়।"—ভায়েকে ক'লে

মাকে সিহঁতৰ তৰ্ক দেখি ক'লে—"বেটা! তহঁতে কিয় তৰ্ক কৰি আছ?" তেতিয়া ভায়েকে মাকক ক'লে—

"মা, এইখন সাধু কিতাপ মোৰ হয়। দাদায়ে তাৰ বুলি কৈছে।

ককায়েকে ক'লে— "মা, এইখন মোৰ হয়। মই এইখন বিচাৰি ফুৰিছিলোঁ।" মাকে ক'লে—"ৰ'বা মই আজি তোমালোকক বিচাৰ কৰি দিম।

মাকে বুদ্ধি এটি সাজি ক'লে—"এই সাধু কিতাপখন মই এতিয়া মাজতে দুফাল ভাগ কৰি দিম তেতিয়া তোমালোকে সমানে কিতাপখনৰ ভাগ পাবা।"

তেতিয়া ভায়েকে ক'লে— "হ'ব মা, তুমি ভাগ কৰি দিয়া।"

ততালিকে ককায়েকে ক'লে—"মা, সাধু কিতাপখন ভাগ কৰিব নালাগে। সাধু কিতাপখনত মই আৰু দেউতায়ে পঢ়া বহু সাধু আছে, আজি

যদি তুমি এইখন দুফাল কৰি দিয়া তেনেহ'লে দেউতাৰ চিন মোৰ ওচৰত একো নাথাকিব। কিতাপখন ভাইটিকে দি দিয়া।

মাকে বুজি পালে যে কিতাপখন প্ৰকৃততে কাৰ হয়।

মাকে ভায়েকলৈ চাই ক'লে—"মণি বেটা, এইখন কিতাপ দাদাৰ হয়। তুমি মিছা কথা ক'লা হয়নে? তুমি সদায় দাদাৰ দৰে হ'বা সত্য কথা ক'বা।"○



**গল্প**

# জোনাকীৰ মনৰ কথা


**জেচমিন পাটোৱাৰী**
নৱম শ্ৰেণী

শৈশৱ কালটো কিযে মধুৰ, কিযে ৰঙীন, জোনাকীৰ কেতিয়াবা নিজৰ শৈশৱ কালৰ কথাবোৰে মনতো ছাটি ধৰে। অকণমানিজনী হৈ থাকোঁতে তাইৰ মাক-দেউতাকৰ কোলাত সদায় বহিছিল। কিযে আমেজভৰা আছিল সেইদিনবোৰ! দেউতাকে সদায় নিশা তাইক এটা সাধু শুনাইছিল আৰু তাই সাধু শুনি শুনি টোপনি গৈছিল। শৈশৱত লগৰীয়াৰ সৈতে স্কুললৈ যোৱা, লুকা-ভাকু খেলা, বাৰীৰ পকা বগৰী বুটলি খোৱা —এই শৈশৱটোৰ প্ৰতিটো দিনৰ মধুৰ স্মৃতিবোৰে কেতিয়াবা তাইক বৰকৈ আমনি কৰে।

কিন্তু এদিন জোনাকীৰ শৈশৱটোত যেন এচপৰা কলীয়া ডাৱৰে আৱৰি ল'লে। শৈশৱটো ক'লা ৰঙেৰে ক'লা হৈ পৰিল। ঘটনাটো কেনেকৈ ঘটিল তাই আজিও বুজি নাপালে। কাৰণ বিচাৰি নাপালে। একমাত্ৰ মৰমৰ ভনীয়েকজনী আৰু ককায়েকক আকৌ কেতিয়াবা ক'ৰবাত লগ পাবনে নাই তাই নাজানে। কিন্তু নেদেখাজনক তাই সদায় প্ৰাৰ্থনা কৰে তাইৰ আপোন ভনীজনী আৰু ককায়েক এই বহল পৃথিৱীৰ য'তেই আছে সুখ আৰু শান্তিত থাকে যেন।

এটা এটাকৈ সুখবোৰ জোনাকীৰ কোলাৰ পৰা কোনোবা দৈত্যই যেন আজুৰি-পিজুৰি লৈ গৈছিল। দিন হাজিৰা কৰা মাক-বাপেক সেইদিনা ঘৰলৈ উভতি আহোঁতে বৰ পলম হৈছিল। অকণমানি জোনাকীক ঘৰত থৈ ককায়েকে ভনীয়েকজনীক লগত লৈ মাক-বাপেকক বিচাৰি ওলাই গ'ল। পল পলকৈ নিশাৰ এন্ধাৰবোৰ ঘন হৈ আহিবলৈ ধৰিলে। অকলশৰীয়া

জোনাকী ভয়ত অচেতন হৈ ঢলি পৰিল। সাৰ পাই দেখিলে তাইক মানুহ কিছুমানে এটা আশ্ৰয় গৃহলৈ লৈ আহিছে। মানুহবোৰে তাইক জনালে যে মাক-দেউতাকৰ গাড়ীৰ দুৰ্ঘটনাত মৃত্যু হৈছে। কিন্তু ককায়েক আৰু ভনীয়েকৰ কি হ'ল? কেৱল প্ৰশ্ন। জোনাকীয়ে আশ্ৰয় গৃহৰ সকলোকে সুধিলে। কোনেও নাজানে। তাই বাৰে বাৰে তেওঁলোকক বুজাবলৈ বিচাৰিলে যে তাইৰ ককায়েক যোল্ল বছৰীয়া আৰু ভনীয়েক তিনিবছৰীয়া তেওঁলোকক বিচাৰি আনিব লাগে। তাইক লাগে আপোনজনৰ এধানি সুখ।○



গল্প

# ৰীণাৰ সপোন

**বেৰী আদিবাসী**
শিশু গৃহৰ শিক্ষাৰ্থী

এখন গাঁৱত এটি অতি দুখীয়া পৰিয়াল আছিল। পৰিয়ালটিত এগৰাকী ৰোগীয়া মাতৃ আৰু তাইৰ কণমানি জী থাকে। জীৰ নাম ৰীণা। ৰীণাই ইঘৰে সিঘৰে কাম কৰি যিকেইটা ধন পাই দুবেলা দুমুঠিও খাবলৈ নোযোৰে। দিনক দিনে মাকৰো গাটো বেয়া হ'বলৈ ধৰিছিল। ৰীণা এগৰাকী বৰ সাহসী আৰু দয়ালু ছোৱালী। ৰীণাই একো ভাবি নাপালে তাইকেনেকৈনো মাকক ভাল কৰিব। নদীৰ কাষতে ৰীণাই মন মাৰি বহি কান্দি আছিল। তাইক কান্দি থকা শুনি নদীৰ পৰা পৰী এগৰাকী ওলাই আহিল।

কি হ'ল, কিয় কান্দি আছা? —পৰীয়ে সুধিলে।

ৰীণাই ক'লে— মাৰ গা বেয়া, ঘৰত খাবলৈ একোৰেই নাই। খোৱাৰ বাবে যোগাৰ কৰিবলৈ মোৰ হাতত এনে একো মূল্য নাই।

পৰী গৰাকীয়ে ক'লে— তুমি চিন্তা নকৰিবা সৰু ছোৱালী, মই পৰী, এই নদীতে থাকোঁ। তুমি বৰ ভাল ছোৱালী, তোমাৰ বিষয়ে মই জানো, তুমি যে সকলোকে সহায় কৰিছা, মই তোমাক আজি সহায় কৰিম।

পৰীয়ে এটা ফল ৰীণাৰ হাতত দি ক'লে— এইটো ফল লোৱা তুমি গৈ মাক খাবলৈ দিবা, তোমাৰ মা সুস্থ হৈ উঠিব। এইবুলি কৈয়ে পৰী গৰাকী নেদেখা হ'ল। ৰীণাই ফলটো লৈ তাই মাকক খাবলৈ দিলে। মাক সুস্থ হৈ উঠিল। তাৰ পিচত ৰীণাই মাকক সকলো কথা ক'লে। ৰীণায়ো মাকৰ লগতে কামত সহায় কৰিবলৈ ধৰিলে।

এদিন ৰীণাই ৰাস্তাতে খেলি আছিল। এগৰাকী মগনীয়া বুঢ়ী সেই

ৰাস্তাৰে আহি তাইৰ ঘৰৰ পদূলি পালেহি। তাৰ পিচত তেওঁ খেৰৰ ঘৰটোৰ ফালে আগবাঢ়ি গ'ল। ৰীণাই মগনীয়া বুঢ়ীগৰাকীক দেখি খেলা এৰি ঘৰলৈ গ'ল। ৰীণাই সুধিলে— আই, আপুনি কাক বিচাৰিছে ? মা ঘৰত নাই।

বুঢ়ী মগনীয়া গৰাকীয়ে ক'লে— মোৰ বৰ ভোক আৰু পানী পিয়াহ লাগিছে। ৰ'বা আই, দিছো বুলি ৰীণাই ভিতৰৰ পৰা পানী এবাটি আনি দিলে। তাৰ পিচত বুঢ়ী গৰাকীয়ে অলপ সময় ৰ'ল। ৰীণাই সুধিলে—

আই আপুনি ক'ৰ পৰা আহিছে?

আই গৰাকীয়ে ক'লে— এই গাঁৱৰ ইটো পাৰে মোৰ ঘৰ আৰু মই অকলে থাকোঁ। খাবলৈ খুদকণ বিচাৰি দিনটোৰ বাবে ওলাই আহো। সন্ধিয়া লগাৰ আগত যাওঁ। চকুৰে ভালকৈ দেখা নাপাওঁ বুলি কৈ বুঢ়ী গৰাকী যাবলৈ ওলাল। ৰীণাই আই গৰাকীক আগবঢ়াই দিবলৈ বিচাৰিলে। তাই দেখিলে যে আইৰ ঘৰতো নদীৰ কাষতে। গোটেই ঘৰৰ ভিতৰত পানী সোমাল।

ৰীণাই ক'লে— আই আপুনি চিন্তা নকৰিব। মই সহায় কৰিম আপোনাক।

ৰীণাই নদীৰ পাৰলৈ গৈ পৰী গৰাকীক মাত লগালে।


পৰীয়ে আহি সুধিলে— কি হ'ল ৰীণা কোৱাচোন। ভালে আছানে?

ৰীণাই ক'লে— বুঢ়ী আইৰ ঘৰত গোটেই পানী সোমাল। আই অকলে থাকে। তেওঁৰ কেও কিছু নাই। তুমিয়ে কিবা এটা সহায় কৰি দিয়া। পৰীয়ে ক'লে—ঠিক আছে, তুমি এতিয়া যোৱা আৰু চোৱাগৈ।

বুঢ়ী আইৰ ঘৰটো দেখি ৰীণা সুখী হ'ল। আই গৰাকীয়ে ৰীণাৰ মূৰত হাত বুলাই দি ধন্যবাদ জনালে। আই গৰাকীয়ে চকুৰেও দেখা হ'ল। খোৱাৰ বাবেও ক'তো ওলাই যাব নলগা হ'ল। সকলো অভাৱ শেষ হ'ল।

বহু সময় হোৱাৰ বাবে তাইৰ মাক চিন্তাত পৰিল। বহু ৰাতি হ'ল। ৰীণা এতিয়াও ঘৰলৈ অহা নায়। পদুলিমুখত গৈ তাইলৈ অপেক্ষা কৰিলে। ৰীণা আহি মাকক ক'লে— মা তুমি মোৰ বাবে বাট চাই আছিলা। আহাঁ, মই সকলো কথা তোমাক ক'ম। মাকে ক'লে— আজি ইমান সময় ক'ত খেলিবলৈ গৈছিলা ? ৰীণাই ক'লে— খেলিবলৈ নহয় মা, বুঢ়ী আইৰ ঘৰত গৈছিলোঁ

বুলি দিনটোত যি যি হ'ল সকলো কথা ৰীণাই মাকক বিৱৰি ক'লে। ৰীণাৰ ঘৰখনো আগতকৈ ভাল হ'ল। ৰীণা ডাঙৰ হ'ল। পিছত লাহে লাহে ৰীণাই এখন দোকান দিলে। মাকেও আনৰ ঘৰত কাম কৰিবলৈ নোযোৱা হ'ল। অভাৱবোৰ লাহে লাহে নোহোৱা হ'ল। ৰীণাই মাকক নৈ কাষলৈ গৈ পৰী গৰাকীক মাতি মাকৰ লগত চিনাকি কৰি দিলে। মাকেও পৰীক ধন্যবাদ দিলে ইমানখিনি সহায় কৰা বাবে। পৰী গৰাকীয়ে ক'লে ৰীণা সৰুৰে পৰা কষ্টত থকা লোকক সহায় কৰি আহিছে। নিজেই নাখাই আনক খুৱায়। তুমি এনেদৰেই সহায় কৰি যোৱা, ময়ো আছোঁ, তোমাৰ সৈতে। তুমি মাতিলেই মই আহিম বুলি কৈ পৰী গৰাকী অদৃশ্য হ'ল।○



গল্প

# দুখ

**মাইনা মাঝি**
পঞ্চম শ্ৰেণী

এখন ভিতৰুৱা গাঁৱৰ এগৰাকী দৰিদ্ৰ ঘৰৰ ছোৱালী আছিল, তাইৰ নাম মীনা। মাক-দেউতাকৰ বৰ মৰমৰ যদিও বৰ দুখীয়া হোৱাৰ বাবে মীনাই প্ৰায় ভোকত থাকিবলগীয়া হৈছিল। মীনা সদায় স্কুললৈ গৈছিল আৰু স্কুলত সকলোৰে লগত মিলা-প্ৰীতিৰে আছিল। তাই পঢ়া-শুনা ভালদৰে কৰিছিল বাবে শিক্ষক-শিক্ষয়ত্ৰীয়ে মীনাক বৰ ভাল পাইছিল। তাই শিক্ষকৰ কথা সদায় মানি চলিছিল। তাইৰ এগৰাকী ভাল বান্ধৱী আছিল। মীনা তাইৰ লগতে স্কুল গৈছিল, বগৰী খাবলৈ গৈছিল। লুকা-ভাকু খেলিছিল আৰু মীনাৰ এটা মৰমৰ ছাগলী আছিল। তাই ছাগলীজনীৰ নাম থৈছিল বগী। স্কুলৰ পৰা আহি ভাত-পানী খাই বান্ধৱীৰ লগত খেলিবলৈ গৈছিল। খেলোঁতে খেলোঁতে সময় কিমান হ'ল তাই গমেই নাপাইছিল। দেৰি হ'লে ঘৰত দেউতাকে গালি দিছিল কিন্তু পাছত আকৌ তাইক মৰমো কৰিছিল। তাইৰ মন বেয়া লাগিলে ছাগলী আৰু গৰু পোৱালিৰ লগতেই খেলিছিল। দেউতাকে তাইৰ স্কুললৈ যোৱা কাপোৰ কিনি দিয়া নাছিল। এদিন স্কুল যাব নালাগে বুলি দেউতাকে কোৱাত তাই তেতিয়া মনত বৰ দুখ পাইছিল। তাইৰ লগৰীয়া বান্ধৱীগৰাকীৰ পৰিয়ালটিয়েও সেই গাঁৱৰ পৰা আন এখন গাঁৱলৈ উঠি যায়। তাইকো মীনাই তেতিয়াৰে পৰা লগ নোপোৱা হ'ল। মীনাৰ খেলিবলৈও লগৰীয়া নোহোৱা হ'ল। তেতিয়াৰে পৰা তাই ঘৰতে ছাগলী, গৰু পোৱালিৰ লগতেই খেলিবলৈ ধৰিলে। মাজে মাজে স্কুললৈ যাব নোপোৱা দুখে তাই উচুপি উচুপি কান্দিছিল।○

**অনুভৱ**

# মোৰ সৰু কালৰ কথা

**চাহিন বেগম**
শিশু গৃহৰ শিক্ষাৰ্থী

মই এদিন অকণমানি আছিলোঁ। অ'ত ত'ত ধৰি মই থিয় হৈছিলোঁ। পৰিছিলো, কান্দিছিলোঁ। তেতিয়া মায়ে লৰি আহি মোক কোলাত লৈ নিচুকাই নাম-গুণ গাইছিল। সৰুতে মাৰ কোলাত লালকাল টোপনি গৈছিলোঁ। ভোকত মায়ে মৰমৰ হাতেৰে মোক খুৱাইছিল। কিমান যে মাৰ আলপৈচান মোৰ প্ৰতি আছিল।০



## গল্প

# এটা কাছ, বান্দৰ আৰু ঘৰিয়ালৰ কাহিনী

**অভিজিৎ ৰাভা**
শিশু গৃহৰ শিক্ষাৰ্থী

বহু দিনৰ আগতে এটা পুখুৰীত এটা কাছই বাস কৰিছিল। এদিনাখন এটা দুষ্ট ঘৰিয়াল তাৰ ওচৰলৈ আহিল। ঘৰিয়ালটোৱে ক'লে— আজিৰ পৰা মই ইয়াত থাকিম, তুমি ইয়াৰ পৰা গুচি যোৱা।

এই কথা শুনি কাছই ক'লে— মই ইয়াৰ পৰা কিয় যাম, এইটো মোৰ ঘৰ। তেতিয়া ঘৰিয়ালটোৱে খঙেৰে ক'লে— তুমি যদি ইয়াৰ পৰা নোযোৱা, মই তোমাক মাৰি পেলাম। ঘৰিয়ালৰ কথা শুনি কাছই ক'লে— তুমি ইমান বীৰ দেখাইছা, মই মোৰ বান্দৰ বন্ধুক মাতিম। তুমি নাভাবিবা যে মই অকলশৰীয়া বুলি। এই কথা কৈ কাছই বান্দৰ বন্ধুক মাতিবলৈ গ'ল। বান্দৰ বন্ধুজন বহুত ভাল আছিল। সি সকলোৰে লগত মিলি থাকে। বান্দৰ বন্ধুৱে কাছৰ ওচৰলৈ আহি সুধিলে, কি হ'ল কাছ বন্ধু? তুমি কিয় মোক মাতিছিলা, কোৱাছোন? তেতিয়া কাছ বন্ধুৱে ক'লে যে, চোৱাচোন বন্ধু মোক এই দুষ্ট ঘৰিয়ালটোৱে পুখুৰীটো এৰি গুছি যাবলৈ কৈছে। মই মোৰ এই পুখুৰীটো এৰি ক'লৈ যাম! এই কথা শুনি বান্দৰ বন্ধুৱে অভয় দি ক'লে— তুমি চিন্তা নকৰিবা। তেতিয়া বান্দৰে দুষ্ট ঘৰিয়ালটোৰ ওচৰলৈ গৈ তাক মাতি আনিলে আৰু ক'লে—চোৱা বন্ধু, আমি সকলো এক, আৰু আমি সকলোৰে মিলি থাকিব লাগে, কেতিয়াও কাৰো লগত কাজিয়া কৰিব নালাগে। বান্দৰৰ এনে কথা শুনি দুষ্ট ঘৰিয়ালে ভাবিলে - হয়, সি ঠিকেই কৈছে আমি সকলোৱে মিলি থাকিব লাগে, মই বৰ ভুল কৰিলো। কাছক এনে কথা কৈ নিজৰ ভুল বুজিব পাৰি সি কাছৰ ওচৰলৈ গ'ল আৰু কাছক ক্ষমা বিচাৰিলে। কাছয়েও বুজি পালে আৰু দুষ্ট ঘৰিয়ালক ক্ষমা কৰি দিলে আৰু সেই দিনাৰ পৰা সিহঁত দুয়োৰে একেলগে থাকিবলৈ ল'লে।○

||অনুভৱ||

# অতিকৈ প্ৰিয় দিনটি শিশু গৃহৰ উমৈহতীয়া জন্মদিন—এঘাৰ এপ্ৰিল

দিপাঞ্জলী গগৈ
দশম শ্ৰেণী

প্ৰত্যেকটো শিশুৰ বাবেই সিহতঁৰ জন্মদিনটো বৰ হেপাহৰ দিন। জন্ম দিন বুলি কলেই সকলো শিশুৰে মুখত হাঁহি বিৰিঙি উঠে। প্ৰত্যেকটো শিশুৰ দৰেই ডিব্ৰুগড়ৰ প্ৰেৰণা শিশুসকলৰ বাবেও জন্মদিনটো এক বৰ উৎসাহৰ দিন। মোৰো প্ৰিয় দিনবোৰৰ ভিতৰত ১১ এপ্ৰিল দিনটো অন্যতম। ১১ এপ্ৰিলত প্ৰেৰণা শিশুগৃহৰ শিশুসকলৰ জন্ম দিন। ৩০-৪০টা শিশুৰ এই ১১ এপ্ৰিলতে জন্ম দিন উৎযাপন কৰা হয়। কিয়নো ইমান শিশুৰ জন্ম দিন আছুতীয়াকৈ পাতি থকা সম্ভৱ নহয় আৰু কোনো কোনোৰে নিজৰ জন্মৰ তাৰিখ জানে আকৌ কোনোৰে নাজানে। সেই বাবে জন্ম দিন একেলগে কৰা হয়। মই জনা মতে ১১ এপ্ৰিলটো বাছি লোৱাৰ কাৰণ হ'ল এই বিশেষ দিনটোতে প্ৰেৰণা শিশু গৃহই প্ৰথম সাতজন শিশুৰ জন্মদিন পালন কৰিছিল ২০১৬ চনত। ইয়াৰ পাচত প্ৰতিটো বছৰতেই এই বিশেষ দিনটোত প্ৰেৰণা শিশুগৃহৰ শিশুসকলৰ উমৈহতীয়া জন্মদিন পালন কৰি অহা হৈছে। এমাহৰ আগৰ পৰাই আমি এই ১১ এপ্ৰিলৰ বাবে সাংস্কৃতি অনুষ্ঠানৰ অভ্যাস চলাই থাকো। খুব ভাল লগা এই দিনবোৰ। এক আনন্দৰ উৎসৱ এই ১১ এপ্ৰিলৰ দিনা আমাৰ পোনপ্ৰথমে মাতৃ-সেৱা, কেক্ কটা পৰ্ব, নাচ-গান ইত্যাদি বৰ্ণাঢ্য কাৰ্যসূচী থাকে। সকলোতকৈ আমাৰ আৰু দৰ্শকৰ বিশেষ আকৰ্ষণ হৈছে ৰাজীৱ দাস মামাৰ দ্বাৰা পৰিচালিত নাটকখন। নাটকৰ মাজেদি আমি বহু ৰং পাওঁ। ডিব্ৰুগড়ৰ বহু অতিথিয়ে আমাৰ ৰমণীয় জন্মদিনটো উপভোগ কৰে। ১১ এপ্ৰিলৰ দিনা বৰমা, জেঠাই, বাইদেউ, মামা আৰু মাৰ লগত সম্প্ৰীতিৰে পাৰ কৰোঁ। সেই বাবে আমি অতি আশাৰে বৈ থাকো মৰমৰ ১১ এপ্ৰিল দিনটোলৈ।○


## কবিতা

# শেষ হয় আকৌ নহয়

নিতেন কৰ্মকাৰ
নৱম শ্ৰেণী

শেষ নহয় আইতাৰ
জোনাক ৰাতিৰ সাধু কথা
শেষ নহয়
ধূলিৰ লগত খেলা স্মৃতি
ক'ত লুকাই আজিও খেলে
ৰাতিপুৱাৰ জিল্‌মিল ৰ'দৰ পোহৰত
দুবৰিবনত মুকুতা মণি
ৰং বিৰঙৰ চিত্ৰৰ কৰ্মশালা
ৰঙৰ সমাহাৰ মোৰ স্মৃতি শেষ নহয়
হে সময়,
সুখ, দুখত, সাহস দিয়া মানুহজন
মোৰ পৰা এখোজ আতৰি গ'ল
মোৰ কণ্ঠ শুকাই গ'ল
মৰহা ফুলৰ দৰে
মোৰ মন মৰহি গ'ল
হে' বৰষুণ!
এটোপাল পানী দিয়া
ফুলৰ দৰে

ফুলিবলৈ বিচাৰিছোঁ
নিশা আকাশত জোনৰ
মলয়া বতাহত
পোহৰৰ স'তে সন্ধি পাতি
মোৰ মধুৰতা
কবিতাত সুখ বিচাৰোঁ
কবিতা লিখা হয় মোৰ আশাবোৰ।
শেষ হয় আকৌ নহয়।○




কবিতা

# আকৌ পামনে ঘূৰাই সেই দিনবোৰ

নিতেন কৰ্মকাৰ
নৱম শ্ৰেণী

অতীতৰ সেই সোণোৱালী দিনবোৰ,
য'ত মই ৰুইছিলোঁ সপোনৰ বীজ মনৰ মাজত
সেই সেউজীয়া সপোন
ৰচিছিলো আইৰ বুকুত,
আকৌ পামনে ঘূৰাই সেই দিনবোৰ
য'ত মই আইৰ সৈতে উমলি-জামলি আছিলো
ক'ত গ'ল সেই সোণোৱালী দিনবোৰ
আকৌ পামনে ঘূৰাই দুখ-কষ্ট হাঁহি ধেমালিৰে দিনবোৰ
এজাক ধুমুহা কিয় আহে
সকলো কাঢ়ি লৈ গ'ল।○



কবিতা

# এই ধুনীয়া পৃথিৱীখন চাবলৈ

**নিতেন কৰ্মকাৰ**
নৱম শ্ৰেণী

জন্ম লৈছিলোঁ তোমাৰ কোলাতে আই
হেঁপাহত আতুৰ হ'লোঁ
তোমাৰ মুখখন চাবলৈ
কিমান সপোন দেখা পালোঁ
ফুলৰ দৰে
দুপাহি অশ্ৰু নয়নে মোৰ
সকলোবোৰ অন্ধকাৰ দেখিছো কিয়?
মই দেখা ৰং-বিৰঙৰ
সপোনৰ পোহৰবোৰ ক'ত গ'ল
ইমান দিনে
আইৰ মুখখনো নেদেখিলোঁ
মই কল্পনা কৰা সুন্দৰ পৃথিৱীখনৰ
এজনকো চিনিব নোৱাৰিলোঁ।
মোৰ আপোন মানুহবোৰ কেনেকুৱা
তাকো নাজানিলোঁ।
মই সপোনত দেখা মানুহবোৰ
একতাৰ দোলেৰে বান্ধ খাই আছে।
মই সপোনত দেখা মানুহবোৰে
ইজনে-সিজনৰ লগত

**আমাৰ আশা**

বহু কথা পাতে
মধুৰ ব্যৱহাৰ কৰে
আৰু মই জীয়াই আছো
এই ধুনীয়া পৃথিৱীখন চাবলৈ
এতিয়া
লাখুটি লৈ মোৰ খোজ
এই লাখুটিৰ স'তে যুজঁ।।০



# কাৰোবাৰ হাত লাগি আছে

**নিতেন কৰ্মকাৰ**
নৱম শ্ৰেণী

অতীতৰ সোণোৱালী ভাবনাবোৰ
মোৰ ৰঙা হৃদয়ৰ মাজত
ৰংসনা ফাকুখেল খেলি আছে,
মই ৰোৱা গছজোপা
ধাননিৰ মাজতে
সৰু হাফলুটোত
এতিয়াও আছেনে নাই
মই নাজানো,
তেওঁ জীয়াই আছেনে নাই
সেই কথাও মই ক'ব নোৱাৰোঁ
বহুত দিন তেওঁৰ ওচৰলৈ যোৱা নাই
সেইবাবে ৰাতিৰ বেলিত
হৃদয়খন হাহাকাৰ কৰিছে
আৰু দুয়ো পাহি নয়ন নিয়ৰৰ
মুকুতা জ্বলিছে
তুমি ভাবনাৰ এশাৰী কবিতা শুনাই
মোৰ হৃদয়খনত সাগৰৰ ঢৌ সৃষ্টি কৰিছা,
মধুৰ মাতেৰে
মাতিছা মোক, কবিতা লিখিবলৈ,
কবিতাৰ ঘৰলৈ গৈ দেখিলো গছজোপাত
কাৰোবাৰ হাত লাগি আছে
আৰু মোৰ বাবে নতুন এটি গধূলি হৈ।○

## কবিতা

# মই সপোনত ডুব গৈছো

দেবাৰু মূড়া
দশম শ্ৰেণী

সপোনৰ বাট
স্বপ্নৰ হাঁহি লৈ আগবাঢ়ি যাঁও।
বহু বন্ধুৰ স'তে হাতে হাতে ধৰি ফুৰিছোঁ
জীৱনৰ বহু পোৱা নোপোৱাৰ কথা পাতিছো
নদীৰ বালিত নল খাগৰিৰ অজস্ৰ সপোনৰ আনন্দ।
কিছু উটি যায় কিছু থাকি যায়
ভালকৈয়ে জানো য়ে মই তেনেই নগণ্য হৈয়েই আছো
সেই সপোনৰ নতুন অৰ্থ যিয়ে প্ৰতিটো
পুৰাই প্ৰতিটো সন্ধিয়াই লৈ
আনে বাস্তৱৰ কঠিন সুবাস
মোৰ প্ৰতিটো চিন্তাই
ৰৈ আছে সোণোৱালী ভৱিষ্যতৰ ফালে মুখ কৰি
মই সপোন দেখোঁ।
মোৰ সকলোক সপোন মই চিনিছোঁ
সপোনৰ অন্তৰখন মই বিশ্বাসেৰে জিনিছোঁ
সপোনত মই ডুব গৈছোঁ।○

কবিতা

# প্ৰেৰণাৰ জয় গান

লিমা চেতিয়া
সপ্তম শ্ৰেণী

প্ৰেৰণাৰ জয় গান
প্ৰেৰণা প্ৰেৰণা
এটি সৰু প্ৰজা
এয়াতে থাকে কণমানি ল'ৰা
সেই পচোৱা জাকে
আহি ইয়াতে ৰয়
সেই চৰাই জাকে
ইয়াতে আহি ৰয়
কিনো কথা কয়
সাজিছে মৰমৰ ঘৰ
প্ৰেৰণা
সেই শিশুবোৰে
এদিন ডাঙৰ হ'ব
দেশৰ বাবে
জাতিৰ বাবে
গৌৰৱ আনিব
মাৰ চৰণত পৰি
সেৱা জনালোঁ।○

## কবিতা

## জোনাকৰ ৰাতি

লিমা চেতিয়া
সপ্তম শ্ৰেণী



জোনাকৰ ৰাতি
জিলিকে সোণ
মোৰ ঘৰৰ চোতালখন
জিক্‌মিকাই চোতালখন
আন্ধাৰ আকাশত
জিলিকে জোন
মোৰ মন জিল্‌মিল জোনাকৰ
পোহৰ।○

## সংকল্প

লিমা চেতিয়া
সপ্তম শ্ৰেণী

আমি ভাল মানুহ হ'ম
শিক্ষিত হ'ম
জ্ঞানৰ পোহৰে
শ'ত জনৰ হাতত ধৰা ধৰিকৈ
যাম আগুৱাই
মনৰ দৃঢ় সংকল্প
আমি অকণি হ'লেও
শ্ৰম আৰু ধৈৰ্যৰে আগুৱাই যাম।○



কবিতা



# নাচা নাচা

হৃষ্টিকা মণ্ডল
দ্বিতীয় শ্ৰেণী

শৰতৰ সন্ধিয়া
এপাহ শেৱালি ফুল ফুলে
গোন্ধায় আমোল-মোল
এনে লাগে যেন মই
সৰগত আছো
নাচা নাচা নাচা ভণ্টি
নাচা নাচা নাচা ভণ্টি নাচা
ককাল ভাঙি নাচা
গীতৰ মাজেৰে নাচৰ মাজেৰে
আনন্দ কৰিবা, নাচা ভণ্টি
কঁকাল ভাঙি নাচা
নাচা নাচা নাচা
নাচা মনৰ দুখ বেদনা পাহৰাই পেলোৱা,
নাচা ভণ্টি নাচা নাচা নাচা।○

**কবিতা**



# জোনাকী পোহৰ

**লক্ষ্মী ৰাজভড়**
শিশুগৃহ শিক্ষাৰ্থী

জোনাকীপোহৰ অ' জোনাকীপোহৰ
জোনাকী পৰুৱা কিযে ধুনীয়া
তুমি মোৰ সপোনৰ ৰজা
উৰি উৰি নালাগে ভাগৰ
তোমাৰ পোহৰে মোৰ মন কৰে উজ্জ্বল
বনে বনে কিনো জিক্‌মিক্ কৰা দেখিবলৈ ধুনীয়া লাগে
ধৰো ধৰো লাগে মোৰ অ' জোনাকী জোনাকী অ'
আহা মোৰ কাষলৈ জোনাকী পৰুৱা উৰি উৰি
আহাঁ, তোমাক মই ভাল পাওঁ
তুমি দেখিবলৈ ধুনীয়া
অ' জোনাকী পৰুৱা জোনাকী পৰুৱা অ'।○

কবিতা

# আমাৰ পৰিৱেশ

জেচমিন পাটোৱাৰী
নৱম শ্ৰেণী

সেউজীয়া গছবোৰ কিনো
কথা কয়,
বতাহত হালি-জালি
বহু কথা কয়,
ধুনীয়া ধৰণীখন,
বিনষ্ট নকৰিবা
পশু-পক্ষীসকলৰ জীয়াই
থকা অৰণ্যখন গছ-পুলি
ৰুই সজাই ৰাখিবা
তেতিয়াহে পাম প্ৰকৃতিৰ
সুন্দৰ পৰিৱেশ।○



## কবিতা




# ফুল

**নিজৰা পাটোৱাৰী**
অষ্টম শ্ৰেণী

মোৰ ফুল ভাল লাগে
মই ফুল বৰ ভাল পাওঁ
মোৰ তগৰ ফুল ভাল লাগে
ফুলৰ পৰা মালা গাঁঠি
ফুলেৰে পূজা কৰো
বহুত মৰম লগা তগৰ ফুল
গছ নহ'লে আমি জীয়াই থাকিব নোৱাৰো
গছৰ তলত বহি বহুত ভাল লাগে
গছ নহ'লে মানুহ জীয়াই থাকিব নোৱাৰিম
গছ নহ'লে পক্ষী জীয়াই
থাকিব নোৱাৰে
গছ কাটিব নেলাগে
গছৰ পৰা আমি ফুল আৰু ফল পাওঁ।○

কবিতা



# কল্পনা

চুমিত কেওট
তৃতীয় শ্ৰেণী

ডাৱৰ হৈ আকাশত খেলিবলৈ মন যায়,
পখী হৈ দেশে দেশে উৰিবলৈ মন যায়,
পখিলা হৈ ফুলে ফুলে ফুলৰ মৌ চুহি
গীত গাবলৈ মন যায়
নদী হৈ
গছ হৈ
তৰা হৈ মন যায়।
বৰ মন যায় কল্পনাৰ ৰঙ চুবলৈ।০

## কবিতা



# ভাৱনা

**চুমিত কেওট**
তৃতীয় শ্ৰেণী

আই
মোৰ তুমি আই
কিয় মই তোমাৰ ওচৰত নাই,
চকু মুদিলে মই তোমাক দেখোন নিচেই কাষতে পাওঁ
মই আছো তোমাৰ
হৃদয়ত তুমি আছা আই
মোৰ হৃদয়ত
আমি দুয়ো আছো দুয়োৰে লগত গোপনে গোপনে।○

**কবিতা**

# সপোন

**বিনেশ তাঁতী**
অষ্টম শ্ৰেণী

মই সপোন দেখিছো
বৰমা,
মই এজন ভাল মানুহ হ'ম
মোৰ দুখনি হাতে পৃথিৱীক সদায় সুখ দিব বিচাৰোঁ
মোৰো এটা সপোন আছে
বৰমা,
এখন নিকা সমাজ আৰু নিকা মানুহৰ
মই সপোন দেখিছো।○



# মোৰ জীৱনৰ লক্ষ্য

**ৰাজেশ কাশ্যপ**
দ্বিতীয় শ্ৰেণী

মই এটি ভাল মানুহ হ'ম
মই ভাল কাম কৰিম,
মই সত্য পথত চলিম,
মই এটি ভাল মানুহ হ'ম।○

কবিতা



# এই দিনবোৰ আকৌ ঘূৰাই পামনে

**বিনেশ তাঁতী**
অষ্টম শ্ৰেণী

ইয়াত,
পখিলা হৈ সকলোৰে হৃদয়ত মিলি-জুলি খেলিছিলোঁ
হাঁহি ধেমালিৰে,
এই দিনবোৰ
যেনিবা এটা ঘোঁৰাৰ সতে খেলিলোঁ
মোৰ দুখ কেতিয়া নাইকিয়া হৈ গ'ল
গমকে নাপালোঁ
পখী দৰে উৰি গুচি যাম
এদিন মই নিজৰ ঘৰলৈ,
মোৰ হৃদয়খন
নদী হৈ বৈ থাকিব প্ৰেৰণাৰ অন্তৰত।
এই দিনবোৰ আকৌ ঘূৰাই পামনে!○

কবিতা

# লক্ষ্য

পল্লৱ জ্যোতি কোঁচ
নৱম শ্ৰেণী


পুৱাৰ বেলিটিয়ে
মন মোৰ পোহৰাই,
মলয়া বতাহ জাকে
অতীতক সোঁৱৰাই।
মোৰ লক্ষ্য আগলৈ গৈ থাকো
এখনি ফুলনি বাগিচা
ফুল ফুলে।
ৰঙীন ফুলৰ
সুবাসে মোৰ
মনক বুজনি দিলে।
এতিয়া মোৰ লক্ষ্য আগলৈ।○



কবিতা

# মিলিজুলি গীত এটি গোৱা

**উমিত মাৰ্দী**
দ্বিতীয় শ্ৰেণী



এঘাৰ এপ্ৰিল এঘাৰ এপ্ৰিল
আহিল আহিল
সকলোৱে মিলিজুলি
পাতো, আজি
প্ৰেৰণা শিশুগৃহৰ শিশুসকলৰ জন্মদিনৰ মেলা
কেক কাটা, বেলুন ফুলোৱা, নাচো-বাগো আহা
বৰষুণ দিছে
ৰ'দো দিছে খৰা শিয়ালৰ বিয়া
উমিতে বোলে
লগৰীয়াসকল
মিলিজুলি গীত এটি গোৱা।○

(শিশুসকলৰ কেইটিমান বৰষুণৰ কবিতা— শাওণমহীয়া কৃত্ৰিম বানপানীত শিশুগৃহৰ চোতাল, বাৰাণ্ডা, ৰুমত পানী সোমাই যি অৱৰ্ণনীয় পৰিৱেশ হৈছিল, সেই পৰিৱেশত শংকা, ভয় দূৰ কৰিবলৈ শিশুসকলক কবিতা লিখিবলৈ উদগনি দিয়া হৈছে। তাৰে শিশুমনৰ বৰষুণৰ কবিতা)

## বৰষুণ

(১)



অমৰ গোৱালা
দ্বিতীয় শ্ৰেণী

দবাপিটা বৰষুণ
আমাৰ ঘৰৰ টিনৰ ছালিখন
বৰষুণত ঢোল যেনিবাহে বাজে
বৰষুণৰ ইমান পানী
ক'ৰপৰানো আহে,
জানো জানো ডাৱৰৰ দেশৰ পৰা বৰষুণ আহে
বৰ ভাল পাওঁ বৰষুণ তুমি আহিলে,
আমাৰ ধৰণী সেউজী হয়,
গছ গছনি ওখ ডাঙৰ হয়,
বৰষা কালত বৰষুণ তুমি সদায় আহিবা
আমাৰ পৃথিৱীখনলৈ বৰষুণ তুমি বানপানী নানিবা
বানপানী হ'লে আমাৰ বৰ ডাঙৰ বিপদ হয়।০

## কবিতা



(২)

**দিপাংকৰ চুংক্ৰাং**
চতুৰ্থ শ্ৰেণী


টুপ টাপ  টুপটাপ
বৰষুণ পৰে।
দীঘল দীঘল বৰষুণৰ ভৰিবোৰে
মাটি বোকা কৰে
তাকে দেখি আমাৰ বৰ মজা লাগে।○

(৩)

**মাইনা মাঝি**
পঞ্চম শ্ৰেণী

ৰিমঝিম বৰষুণ নামিছে
মন মোৰ হালিছে জালিছে
ডাৱৰে ডাৱৰে লুকা ভাকু খেলিছে
মাজে মাজে বিজুলীয়ে নাচিছে
গছে বনে কিনো কথা পাতিছে
এজাক চেঁচা  বতাহে মন মোৰ উতলা কৰিছে।○

(৪)



**ফুলেশ্বৰী মূড়া**
তৃতীয় শ্রেণী

মা, অ' মা
চোৰাচোন
ইমান ধুনীয়া বৰষুণ
অ' মা মোৰ বৰষুণ চাই বৰ ভাল লাগে,
বৰষুণ দিলে মোৰ দুখনি হাত মেলি দিবলৈ মন যায়।○

(৫)

**ৰাণী মূণ্ডা**
শিশুগৃহৰ শিক্ষাৰ্থী

চিপ্ চিপ্ বৰষুণ পৰে
আকাশৰ ডাৱৰৰ পানীবোৰ পৃথিৱীলৈ সৰে,
নৈ বিল জান পানীৰে উপচি পৰে
কণ কণ ভেকুলীয়ে টুৰু টুৰুকৈ কান্দে।○



(৬)

**প্ৰদূপ তাঁতী**

দ্বিতীয় শ্ৰেণী

বৰষুণত তিতি..
বৰভাল লাগে
বৰষুণৰ পানীত কাগজৰ নাও।
উটুৱাই নাচো নাচো লাগে
জ্বৰ হ'ব কাঁহ হ'ব বুলি
বৰষুণলৈ ভয়ো অলপ লাগে।০

(৭)

**বিনেশ তাঁতী**

অষ্টম শ্ৰেণী

ৰিমঝিম ৰিমঝিম কৈ বৰষুণ পৰিলে
আই তোমালৈ বৰকৈ মনত পৰে।
তুমি ডাৱৰ মাজত আছা যেন লাগে
ৰিমঝিম ৰিমঝিম কৈ বৰষুণৰ স'তে
তুমিও অহা যেন লাগে।
তুমি মোৰ অন্তৰৰ মাজত থাকিবানে আই
আহানা আই
আহাচোন তুমি মোৰ কাষলৈ
তোমাৰ কোলাত বহি সপোন ৰচো মই
ৰিমঝিম ৰিমঝিমকৈ বৰষুণ পৰে
আই তোমালৈ বৰকৈ মনত পৰে।০



# শিশু কল্যাণ কমিটিৰ বিষয়ববীয়াসকলৰ প্ৰেৰণা শিশুগৃহৰ কৰ্মকৰ্তা আৰু প্ৰেৰণা প্ৰতিবন্ধী (N.G.O) বিষয়ববীয়াসকলৰ একলম

## Dear Friends and Supporters

As we celebrate another milestone in the journey of Prerona Children Home, I am filled with immense pride and gratitude.At the very outset I would like to extend my heartiest congratulation to all the members of Prerona Pratibandhi NGO and the staffs Prerona Children Home for successful completion of 9 years of Prerona Children Home's journey. I still vividly remember how we celebrated 1st Birthday of our Children on the 11th of April, 2016 with limited resource but with immense confidence and zeal in our heart to do something good for the children and now in 2025 we are going to celebrate our children's birthday in a public platform with more entertaining spirit.

As a founding member of this humble initiative, I have had the privilege of witnessing the growth and transformation of our children into confident, capable, and compassionate individuals."At Prerona Children Home, we have always believed that every child deserves a loving, nurturing environment that fosters their physical, emotional, and cognitive development. Our dedicated team has worked tirelessly to provide a safe haven for our children, where they can learn, play, and thrive.


As we look to the future, we remain committed to our mission of empowering marginalized children and providing them with opportunities for education, skill-building, and personal growth. We are grateful for the

unwavering support of our donors, volunteers, and well-wishers, without whom our work would not be possible.

Thank you for being part of the Prerona family. Together, let us continue to create a brighter, more promising future for our children.

With heartfelt appreciation,


**Biru Kumar Singh**
President,
Prerona Pratibandhi NGO
Dibrugarh











**প্ৰবন্ধ**

# সমাজ, সামাজিক দায়বদ্ধতা আৰু কিছু অনুভৱ

**ড° গীতিমল্লিকা গগৈ**
সভানেত্ৰী, জিলা শিশু কল্যাণ সমিতি,
ডিব্ৰুগড়, অসম

সমাজ এক মিশ্ৰ ৰাসায়নিক পদাৰ্থৰ দৰে। ইয়াৰ প্ৰতিজন ব্যক্তিৰে মানসিক, শাৰীৰিক তথা সামাজিক পৰিকাঠামো ভিন্ন ভিন্ন। প্ৰতিজনৰে চিন্তা-ভাৱনা, ক্ৰিয়া-প্ৰতিক্ৰিয়া, জীৱনৰ প্ৰতি দৃষ্টিভংগীও ভিন্ন ভিন্ন। বিহংগম দৃষ্টিৰে সমাজৰ জটিল স্তৰসমূহ তথা সমাজত বসবাস কৰা ব্যক্তি সকলৰ এই ভিন্ন দিশসমূহ ফঁহিয়াবলৈ গ'লে ভুল হোৱাৰে সম্ভাৱনা বেছি। সেয়ে সমাজৰ যিকেইটা ক্ষেত্ৰৰ সৈতে আমি জড়িত হৈ আছোঁ, কাম কৰি আছোঁ, অথবা তাৰ পৰা আমি আহৰণ কৰা বিভিন্ন অভিজ্ঞতা, আমি সন্মুখীন হোৱা বিভিন্ন সমস্যা তথা সুবিধা সহযোগিতাৰ বিষয়ে কিছু কথা ক'ব বিচাৰিছোঁ।

প্ৰথমে ক'ব বিচাৰোঁ, আমি বিচৰা ধৰণেৰে সমাজখন চলিব বুলি আশা কৰিব নোৱাৰি। ধনাত্মক তথা ঋণাত্মক দুয়োটা মনোবৃত্তিৰ লোক সমাজত বাস কৰে বাবে ভালৰ লগতে বেয়া কাৰকবোৰেও সমাজত নিজৰ নিজৰ প্ৰভাৱ পেলায়। আমি শিশুৰ সুৰক্ষিত ভৱিষ্যতৰ লগতে মহিলাৰ সামাজিক তথা মানসিক সৱলীকৰণৰ ক্ষেত্ৰখনত কাম কৰাৰ সুযোগ পোৱাৰ সুবাদত কিছুমান সমস্যা, কিছুমান অসামাজিক কথা-কাণ্ড একেবাৰে ওচৰৰ পৰা দেখিবলৈ পাওঁ। বিশেষকৈ শিশুসকলৰ শাৰীৰিক আৰু মানসিক নিৰ্যাতন বৰ্তমান আমাৰ সমাজত এক ব্যাধিৰ ৰূপত বিয়পি পৰিছে।

কিশোৰ-কিশোৰীকালত প্ৰায় নব্বৈ শতাংশই এটা বিশেষ সমস্যাৰ সন্মুখীন হয়, সেয়া হৈছে যৌন নিৰ্যাতন। যাৰ পৰিভাষা সেইটো বয়সত বুজি পোৱা কঠিন। তদুপৰি এনে সমস্যা সৃষ্টি কৰাসকলৰ ভিতৰত সৰহভাগেই হৈছে অতি নিকট আত্মীয়, যাৰ কোলাই-বোকোচাই আমি ডাঙৰ হওঁ। অথবা কোনো ওচৰ-চুবুৰীয়া, যাক আমাৰ অভিভাৱকসকলে বিশ্বাস কৰিব পৰা লোক বুলি ভাবে।

কিশোৰীকালতে ময়ো এনে নিৰ্যাতনৰ বলি হৈছিলো। নিকট আত্মীয় সেই লম্পটকেটাৰ হাতৰ পৰা নিজকে ৰক্ষা কৰাৰ কৌশল কম বয়সতে আয়ত্ব কৰিছিলোঁ। এই ঘটনাবোৰে পৰৱৰ্তী সময়ত শিশু সুৰক্ষাৰ ক্ষেত্ৰত নিজকে  জড়িত কৰাৰ বাবে মোৰ মনত অনুঘটকৰ দৰে কাম কৰিলে। চৰকাৰী ভাবেও কিছু সুযোগ পোৱাত  মোৰ কাম কৰা ক্ষেত্ৰৰ পৰিসৰ বৃদ্ধি হ'ল। শিশুগৃহ এটাৰ তত্বাৱধায়কে চলোৱা যৌন নিৰ্যাতনৰ লগতে শাৰিৰীক নিৰ্যাতনৰ পৰা প্ৰায় ৪৫ কণ কণ লৰা-ছোৱালীক ২০১৫ চনত প্ৰশাসনৰ সহযোগত উদ্ধাৰ কৰিবলৈ সক্ষম হওঁ। শিশু শ্ৰমিক হিচাপে কাম কৰি জীৱনৰ অমূল্য, আলসূৱা সময়খিনি অতি দুৰ্দশাত কটোৱা কেইবাটিও শিশুক স্বাভাৱিক জীৱনলৈ ঘূৰাই আনিবলৈ সক্ষম হওঁ।

যিকি নহওক, এই কথাখিনি কোৱাৰ মূল উদ্দেশ্য হৈছে আমি সমাজখন নিকা, বাসৰ উপযোগী কৰিবলৈ প্ৰথমে শিশুসকলৰ সুৰক্ষা নিশ্চিত কৰিব লাগিব, আৰু এই কাম আনক উপদেশ দি, শ্লোগান লিখি নকৰি নিজেই হাতে-কামে কৰিব লাগিব।

অতি সম্প্ৰতি আমি সমাজক বিশেষ ভাবে প্ৰভাৱিত কৰি মানুহৰ মনবোৰ পঙ্গু কৰি তোলা কু-সংস্কাৰ আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে কাম কৰি আছোঁ। ডাইনী বুলি অভিহিত কৰি আনৰ অত্যাচাৰৰ বলি হোৱা লোকসকলক সুৰক্ষা দিয়াৰ ব্যৱস্থা কৰাৰ লগতে যিসকলে ডাইনীৰ অস্তিত্বক বিশ্বাস কৰি অপৰাধ কৰে, সেইসকলকো প্ৰথমে শুদ্ধ পথ দেখুওৱাৰ চেষ্টা কৰোঁ, নতুবা সেইসকলে যাতে উপযুক্ত শাস্তি পায় তাৰ ব্যৱস্থা কৰোঁ।

সমাজৰ আটাইবোৰ মানুহ সুৰক্ষিত হৈ থাকিলেহে, ভালে থাকিলেহে সমাজখনো সুস্থিৰ হৈ থাকিব। গাই গোটা পেটে ভঁৰাল নহৈ সকলোৱে সমাজৰ বাবে কাম কৰোঁ আহক।

দ্বিতীয়তে, সমাজৰ তথা জীৱনৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল স্বাৱলম্বীতা। চৰকাৰী চাকৰি নহ'ল বুলি হা-হুমুনিয়াহ কাঢ়ি থকাতকৈ খেতি-বাতি, শিল্পকৰ্ম অথবা নিজৰ ৰুচি অনুযায়ী বিভিন্ন কাম কৰি উপাৰ্জন কৰাৰ চেষ্টা কৰিলে সমাজৰ অৰ্থনৈতিক ক্ষেত্ৰখন অলপ হ'লেও সবল হোৱাৰ লগতে নিজৰ জীৱন যাপন কৰাতো সুচল হ'ল। মহিলাসকলেও অৰ্থনৈতিক ভাৱে পুৰুষৰ ওপৰত নিৰ্ভৰ নকৰি স্বাৱলম্বী হ'বলৈ চেষ্টা কৰা উচিত। কিয়নো, স্বাৱলম্বীতাই আত্মবিশ্বাস বঢ়ায়। স্বাৱলম্বীতাই জীৱনৰ দৃষ্টিভংগী সুদৃঢ় কৰাত সহায় কৰে, লক্ষ্য নিৰ্দিষ্ট কৰাত সহায় কৰে। মহিলা সকল স্বাৱলম্বী হ'লে বহু ক্ষেত্ৰত শিশু সকলো সুৰক্ষিত হয়।

এখন সুন্দৰ, সুৰক্ষিত সমাজ সকলোৰে কাম্য যেতিয়া আমি সকলোৱে এই ক্ষেত্ৰত অহোপুৰুষাৰ্থ কৰা উচিত।○

Article

# Prerona– an Inspirational Home

**Mrs. Rupa Rani Kour**
Member, Child Welfre Committee
Dibrugarh, Assam

The **Juvenile Justice (Care and Protection of Children) Act, 2015** defines a child as anyone below 18 years of age. This law ensures the safety and well-being of children in need of care and protection (CNCP). In every district, the **District Child Protection Unit (DCPU)** and **Child Welfare Committee (CWC)** work to safeguard these children. They provide care for those who are **orphans, abandoned, abused, neglected, or victims of child marriage, child labour, and other difficult situations**.

When the CWC determines that a child needs protection, it may place them in a **Children's Home** under **Mission Vatsalaya** guidelines. The child stays there until a further decision is made regarding their placement, rehabilitation, or return to a responsible guardian.

One such **Child Care Institution (CCI)** in Dibrugarh district is **Prerona**, a home that truly inspires. As the name suggests, Prerona brings hope and motivation, not only to the children but also to those working in child protection. Here, children who have faced hardship get a fresh start, receiving guidance, education, and counselling from trained

professionals. Under the care of dedicated staff, these children begin to dream of a better future.

**A New Beginning for the Children**

For many children, adapting to life in Prerona is challenging. Many have never had formal education or lived in a structured environment. Some come from broken or troubled families, while others have no family at all. Adjusting to discipline, reaching academic goals, and living within the home's rules can be difficult. Some children even attempt to run away, as they struggle with restrictions such as being constantly accompanied by caretakers during outings to hospitals, parks, or picnics.

However, with **patience and support**, the staff helps them adjust, heal, and move forward. The home provides **food, shelter, clothing, education, counselling, and therapy** to help children recover from past trauma. Over time, they realize they are in safe hands, where every step is taken for their well-being.

Children who have survived **abuse, exploitation, and violence** gradually regain confidence. They start going to school, playing with friends, and experiencing the joys of childhood once again. Their **smiles and laughter** make all the hard work of the **District Child Protection Team** and Children's Homes truly rewarding. As they say, **"Every smile is precious."**

**Challenges and the Way Forward**

Like any institution, Children's Homes face challenges. **Lack of resources** is one of the biggest issues,


affecting the quality of care and support they can provide.

Despite these difficulties, CCIs like Prerona remain committed to their mission—**helping children heal, grow, and build a better future**.

The dedication of Prerona's staff shows the power of **care, compassion, and commitment** in transforming young lives. As children thrive under their guidance, they begin to dream again and look forward to a **brighter, more hopeful future**.

Prerona continues to be a **beacon of hope** for children who have endured difficult times. Its mission reflects the words of **Rudolf Steiner**:

**"Receive the children in reverence, educate them in love, and send them forth in freedom."**



**প্ৰবন্ধ**

# হতাশাগ্ৰস্ততা

**দিম্পী হাতীবৰুৱা**
পৰামৰ্শদাতা, প্ৰেৰণা শিশুগৃহ
ডিব্ৰুগড়, অসম

অৱসাদ বা হতাশাগ্ৰস্ততা এক মানসিক অৱস্থা বা স্থিতি যিয়ে এজন ব্যক্তিক দুখ অনুভৱ কৰায় আৰু পূৰ্বতে কৰি ভাল পোৱা কাৰ্য্য বা বস্তুৰ প্ৰতি ব্যক্তিৰ আগ্ৰহ নোহোৱা কৰে। সচৰাচৰ ঘৰুৱা কুপৰিৱেশ, অশান্তি, লগৰীয়াৰ সৈতে হোৱা সংঘাত, অন্য মতবিৰোধিতা আৰু আকস্মিক ভাবে আমাৰ জীৱনত ঘটা কিছু ঘটনা যাৰ আশা আমি কেতিয়াও নকৰো তেনে পৰিস্থিতিত অৱসাদ বা হতাশাগ্ৰস্থতা হয়। এনে দুখবোৰ অধিক দিনৰ বাবে থাকিলে অৱসাদৰ বা হতাশাগ্ৰস্থতাৰ ৰোগী বুলি মনোবিজ্ঞানীসকলে চিনাক্ত কৰে। দৈনিক জীৱনত আমাৰ ভাল কথা, ভাল পৰিৱেশ বোৰৰ লগতে কেতিয়াবা বেয়া কথা যিবোৰ আমি গ্ৰহণ কৰিব নিবিচাৰো, বেয়া পৰিৱেশ যিবোৰ মানুহে কেতিয়াও আশা নকৰে সেইবোৰৰ সন্মুখীন হব লগা হয়। নেতিবাচক কথা আৰু বেয়া পৰিৱেশবোৰ যেতিয়া এজন মানুহে গ্ৰহণ কৰি লব নোৱাৰে তেতিয়া অৱসাদ (depression) অনুভৱ কৰে।

অৱসাদ বা হতাশাগ্ৰস্ততাৰ সচৰাচৰ বৈশিষ্টবোৰ হৈছে— দুখ, শূন্যতা, খিংখিঙীয়া মনোভাব, পূৰ্বতে কৰা কামৰ প্ৰতি আগ্ৰহ কমি যোৱা, আনৰ সৈতে কথা পাতিব মন নোযোৱা, আশাহীনতা, অসহায়বোধ, নিঠৰুৱা ভাৱ ইত্যাদি।

বৰ্তমান সমগ্ৰ ভাৰতবৰ্ষতে এই ৰোগীৰ সংখ্যা ক্ৰমানয়ে বাঢ়ি গৈছে। ডাঙৰৰ পৰা সৰু ল'ৰা-ছোৱালীসকলৰ মাজতো অৱসাদৰ ৰোগী দেখা গৈছে।

২০১৫ চনত NHMS ৰ  সমীক্ষা অনুসৰি প্ৰতি ২০ জন মানুহৰ ভিতৰত ১ জন বা ৫.৩% ব্যক্তি মানসিক অৱসাদৰ ৰোগী হিচাপে চিনাক্ত হয়।

বিভিন্ন কাৰণত মানসিক অৱসাদ হ'ব পাৰে, BIOLOGICAL কাৰক, PSYCHOLOGICAL কাৰক আৰু সামাজিক কাৰক।

জৈবিক কাৰক— (১) বংশগত
(২) মগজুৰ ৰাসায়ন
(৩) স্বাস্থ্যজনিত পৰিস্থিতি

মানসিক কাৰক— (১) চাপজনিত জীৱনৰ ঘটনা
(২) নেতিবাচক চিন্তাধাৰা
(৩) ব্যক্তিত্ব

সামাজিক কাৰক— (১) সামাজিক ভাবে অকলশৰীয়াকৈ থকা
(২) অৰ্থসামাজিক পৰিস্থিতি
(৩) সামাজিক চাপ

অৱসাদ প্ৰতিকাৰৰ বাবে মনোবিজ্ঞানী সকলো লোৱা ব্যৱস্থাবোৰ এনেধৰণৰ— (১) ভালদৰে শুনা
(২) সাহসৰ বাবে আগৱঢ়া
(৩) নিজৰ যত্ন যাতে নিজে ল'ব পাৰে সহায় কৰা
(৪) ধৈৰ্য্য ধৰা
(৫) তেওঁলোকক বাধ্য বাধকতা পৰা বিৰত থকা
(৬) থেৰাপীৰ ব্যৱস্থা কৰা

শিশুগৃহত যিসকল শিশুৰ মাজত আমি অৱসাদ দেখা পাওঁ তেওঁলোকক একক আৰু দলীয় পৰামৰ্শ প্ৰদানৰ লগতে নিম্নোক্ত ব্যৱস্থা গ্ৰহণ কৰা অতিকৈ প্ৰয়োজনীয়—

(১) মেডিটেচন আৰু যৌগা
(২) নৈতিক শিক্ষাৰ সাধু
(৩) নৃত্য, গীত, অভিনয়
(৪) বিশিষ্ট ব্যক্তিৰ জীৱন  কাহিনীৰ আলোচনা

(৫)নিয়মিত ব্যায়াম

(৬)ক্রীড়া

(৭)নিজৰ ভাল লগা কামবোৰ কৰি যোৱাৰ লগতে ছবি অংকনত মনোনিবেশ কৰা

(৮)শিশুসকলৰ সুষম আৰু প্ৰ'টিনযুক্ত আহাৰ কেতিয়াবা মাহ বা সপ্তাহত শিশুৰ প্ৰিয় খাদ্য

(৯) বিভিন্ন ক্রিয়াকলাপ

(১০) অন্তৰঙ্গ মত বিনিময়

(১১) শিক্ষামূলক ভ্ৰমণ,পিকনিক বা ফুৰাবলৈ নিয়া

শিশুসকলৰ মাজৰ পৰা অৱসাদ আতঁৰাবলৈ বিভিন্ন ধৰনৰ হ্রস্বম্যাদী আৰু দীৰ্ঘম্যাদী বিজ্ঞানসন্মত পদ্ধতিৰ ব্যৱস্থা কৰিলে ফলপ্ৰসূ হয়। যিহেতু এটি শিশুগৃহত কৰ্মকৰ্তাসকলে শিশুৰ যত্ন আৰু সুৰক্ষাৰ বাবে কাম কৰি আছে আৰু শিশুসকল বিভিন্ন নেতিবাচক পৰিৱেশৰ পৰা আহি আছে। নেতিবাচক পৰিৱেশৰ পৰা এটি ইতিবাচক পৰিৱেশত শিশুবোৰক সমাযোজন কৰিবৰ বাবে কৰ্মকৰ্তাসকলে বহুত চেষ্টা কৰিব লগা হৈছে। এই চেষ্টাবোৰ কেতিয়াবা কম সময়তে সফল হয় যদিও কেতিয়াবা দীৰ্ঘদিন কৰি যোৱাৰ পাচতো সফল নহয়, তেনে অৱস্থাত কৰ্মকৰ্তাসকলৰ মাজত অসীম ধৈৰ্য্যৰ প্ৰয়োজন।

সেয়েহে শিশুগৃহৰ কৰ্মকৰ্তাসকলে নিজৰ কৰণীয় কাম বোৰ কৰি যোৱাৰ লগতে মেডিটেচন, যৌগা, আজৰি সময়ত নিজৰ ভাল লগা কামবোৰ কৰি যোৱাৰ প্ৰয়োজন।○

||Article||

# Primary Role of a Caregiver in a Child Care Institution

**Gayatri Borah**
Assistant Secretary
Prerona Pratibandhi NGO
Dibrugarh, Assam

A Child Care Institution (CCI) primarily serves to provide a safe and supportive place for the children in need of care and protection or children in conflict with Law. Child Care Institution (CCI) aims to provide a happy, loving and caring environment for the children to grow, learn and play. The Juvenile Justice (Care and Protection of children) Act, 2015 is a law in India that rehabilitate and intervene the children.

An emotional attachment towards a child care Institution refers to a bond or connection a child develops with the caregivers and environment of a childcare facility, where they feel a sense of security, comfort and belonging. Similar to the attachment they would form with their primary caregiver at home, however, this can be complex in institutional settings due to potential challenges with consistent care giving and the lack of a single, primary attachment figure.

A positive emotional attachment to caregivers in a

childcare setting is crucial for a child's healthy emotional development, allowing them to feel safe to explore and learn.

The Caregiver plays an important role in a Child Care Institution. At an initial period, a child may struggle to form secure attachment due to limited individual attention, lack of consistent primary caregiver and coping up with the new environment is a big emotional and mental struggle. Therefore, a Caregiver should develop a positive regular interactions, warmth, and a sense of responsibility towards the children they are taking care of. Trust and belongingness is the key to develop an attentive care.

A Caregiver's selfless attitude towards the children residing at the CCI mark as the Mother Teresa's Deeds for humanity. Mother Teresa never gave up to serve the people in need. So, a Caregiver must have a positive attitude and respects towards the job.❍

গল্প

# সততা

**পাপৰি বৰুৱা**
অধ্যক্ষা, প্ৰেৰণা শিশুগৃহ
ডিব্ৰুগড়

তুলসীৰ তলে তলে
মৃগ পহু চৰে
তাকে দেখি ৰামচন্দ্ৰই
হৰধনু ধৰে......

মাকণ, যা চোন ! বীণা বৰমাৰ ঘৰৰ পৰা তুলসী পুলি এটা লৈ আহগৈ।

মীনায়ে জীয়েকক চিঞৰি ক'লে।

মাকণে তাইৰ পুতলাকেইটাক সজোৱাত ব্যস্ত। চুলি ফণিয়াইছে, কাপোৰ পিন্ধাইছে আৰু ক'ত কি যে নকৰে তাই। অকলশৰীয়া ঘৰখনত মা আৰু জীয়েক। মীনায়ে ওচৰৰে প্ৰাইভেট স্কুলখনতে আয়া কৰে। স্কুলখনৰ সৰু ক্লাছৰ ল'ৰা-ছোৱালী লগত দিনটো কেনেকৈ পাৰ হৈ যায় গমকে নাপায়। এনেকৈ তাই সংসাৰখন চলাই নিছে।

মাকণ শুনিছনে ? —মীনায়ে মাত লগালে।

মাকণে দৌৰি আহি মাকক সুধিলে—

তুলসী পুলি ? কি কৰিবানো তুমি মা।

অ' তই গমেই পোৱা নাই। আজি কাতি বিহু। তুলসী পুলি ৰুই গধূলি চাকি বন্তি জ্বলাবলৈ লাগিব। তুলসী মাতৃৰ আগত শৰাই দি প্ৰাৰ্থনা কৰিব লাগিব। গাঁৱৰ ৰাইজে আজি সন্ধিয়া পথাৰত এগছিকৈ বন্তি জ্বলাব। মা আজি



মানে বিহু বাবুহঁতকে মাতি দিও, বিহু হুচৰি গাম, মাকণে ক'লে।

ধেৎ আকৰী। আজি হুচৰি নাগায় নহয়। কাতি বিহুক কঙালী বিহু বুলিহে কয়।

মীনায়ে ক'লে বাৰু হ'ব।

বাবুহঁতক মাতি দিবি সকলোৰে মিলি তুলসী আইক সেৱা কৰিম। আমি ৰাতি বিহু পাতো।

মই এতিয়া দেই যাওঁ দেৰি হ'ব

মাকণে নাচি নাচি তুলসী পুলি আনিবলৈ গ'ল। মীনায়ে তাই লৈ চাই সোঁৱৰি নেদেখাজনক প্ৰণাম কৰিলে।

বীনা বৰমাৰ ঘৰত ইমান তুলসী পুলি আছে। মই এই তুলসী পুলিটোত সদায় পানী দিম আৰু আই তলত প্ৰাৰ্থনা কবিম। আমাৰো যেন এটা ডাঙৰ ঘৰ হয়।

এইবোৰ ভাবি ভাবি আহি থাকোতে মাকণে ৰাস্তাৰ দাঁতিত বনৰ মাজত কিবা এটা পৰি থকা দেখি ওচৰলৈ গৈ চালে।

অ' এইটো দেখো কৰোবাৰ মনিবেগ!

ইয়াত ইমান পইচা আছে.......।

কি কৰো পইচাবোৰ লৈ লওঁ নেকি?

নাই নাই মায়ে বেয়া পাব, ভগবানে বেয়া পাব নেকি বাৰু। এই বুলি গুণা গঠা কৰি মনিবেগটো হাততলৈ মাকণ ঘৰলৈ বুলি খৰ খোজেৰে

আগবাঢ়িল।

মাকণে জপনাৰ পৰাই মাকক চিঞৰি চিঞৰি মাতি আহিল। মীনায়ে কিবা অঘটন হ'ল বুলি উধাতু খাই আহিল। মাকনে মাকৰ হাতত মনিবেগটো দিলে।

মাজনী এইটো তই ক'ত পালি? আনৰ মনিবেগ ল'ব নাপাই নহয়। মীনায়ে একপ্ৰকাৰে খংভাৱত ক'লে।

মাকণে মাকক কথাখিনি বিবৰি কোৱাত মীনায়ে স্কুলৰ প্ৰধান শিক্ষক তপণ ছাৰৰ ঘৰলৈ গৈ মনিবেগৰ গৰাকীক খবৰ দিব পৰা যায় নেকি তাৰ উপায়ৰ বাবে খৰধৰকৈ ঘৰৰ দুৱাৰ মাৰি মাকণক লগতলৈ ছাৰৰ ঘৰ পালেগৈ।

মীনায়ে তপণ ছাৰৰ হাতত মনিবেগটো দিয়াত তেখেতে মনিবেগৰ ভিতৰত গৰাকীৰ এটা ফোন নম্বৰ পালে। লোকজনক ফোনেৰে যোগাযোগ কৰাত তপণ ছাৰে মনিবেগটো যে এজনী সৰু ছোৱালী মাকণে পাই তেওঁৰ হাতত দি সকলো কথা বিৱৰি কয়।

লোকজনে ফোনতে মাকণ আৰু মীনাৰ লগত কথা পাতে। মাকণৰ এই সততা গুণ দেখি অচিনাকি জন আপ্লুত হৈ পৰে আৰু প্ৰশংসাৰে ওপচাই পেলালে। মাকণক ভৱিষ্যতে বিদ্যায়তনিক দিশত সহায় আগবঢ়োৱা প্ৰতিশ্ৰুতি দিয়ে।

মীনাৰ চকুৰেদি দুটোপাল সন্তোষৰ চকুলো নিগৰে আৰু নেদেখাজনলৈ লাহেকৈ মূৰ দোৱালে। মাকণৰো অন্তৰত এটি আশাৰ চাকি জ্বলি উঠে, এই চাকিৰ নাম সততা।○

# জীয়াই থাকিবলৈ অলপ মৰমহে লাগে

**সুৰভি দলে**
যোগা-শিক্ষক, প্ৰেৰণা শিশুগৃহ

১

সিহতঁবোৰ জী উঠিছে,
আত্মা-বিহীন চলিত শৰীৰবোৰত...
আকৌ, প্ৰাণ পাই উঠিছে,
স্বপ্নবিহীন নিদ্ৰাৰ ৰাতিবোৰত.....
নতুনকৈ সপোন আঁকিবলৈ
তুলিকাবোৰ হাতত তুলিলৈছে,
মুঠি-মাৰি থকা জঠৰ হাত মুঠিৰ আঙুলিবোৰ এইবাৰ খুলি দিছে,
দহোটা আঙুলিৰে পখীৰ ডেউকা হৈ উৰি গৈছে......
মুক্ত আকাশত ৰামধেনুৰ ৰং বিচাৰি
জীৱন নামৰ সেই উকা পোছাকযোৰ...
এতিয়া ফাগুনৰ ৰঙৰ অপেক্ষাত...

২

এছাটি সমীৰণেও বিটপৰ
আগলি কঁপোৱাই কৈ যায়....
ক'লিবোৰ এতিয়া ফুলাৰ অপেক্ষাত
বহাগলে আৰু বেছি দিন নাই....
এতিয়া, পৃথিৱীক
জীয়াই থাকিবলৈ অলপ মৰমহে লাগে
বহাগৰ বলিয়া বতাহবোৰতো..
থিয় দি ৰ'ব পৰাকৈ জীয়াই থাকিবলৈ
অলপ মৰমহে লাগে।○

কবিতা

# মোক বিচাৰো

**পাপৰি বৰুৱা**
অধ্যক্ষা, প্ৰেৰণা শিশুগৃহ

মই,
মোক বিচাৰি ফুৰিছো,
দিশে দিশে
প্ৰান্তৰে প্ৰান্তৰে
বিচাৰি ফুৰো মোৰ সত্তাক।
মুক্ত আকাশৰ
সুনীল গহ্বৰত
মই মোৰ স্বাভিমান
সযত্নেৰে ৰাখিব খোজোঁ।
মোৰ হৃদয়ৰ
অবুজ ভাৱনায়ে
বাৰে বাৰে প্ৰশ্ন কৰে
মোৰ সত্তাক........
যান্ত্ৰিকতাৰে ভৰা
এই পৃথিৱীত
মই মোক বিচাৰি পামনে?
নে মই হেৰাই যাম
এই যান্ত্ৰিকতাৰ মাজত।○

## কবিতা

# বৰষুণ

**নীলিমা লাহন**
হাউচ-কিপাৰ, প্ৰেৰণা শিশুগৃহ

ৰিম জিম ৰিম জিম
বৰষুণ টোপালবোৰ পৰে,
মন আমাৰ আনন্দত
নাচে
বৰষুণৰ পানীয়ে নদ নদী
ওপচাই পেলাই
সকলো আৱৰ্জনা
উটুৱাই নিয়ে
বৰষুণৰ পানী পাই
কণ কণ ভেকুলীবোৰে
টুৰুক টুৰুক কৰিবলৈ ধৰে।
বৰষুণত তিতি ৰংমন কাই
হাল লৈ পথাৰলৈ যায়,
কুঁহি কোমল কঠীয়াৰে
পথাৰখনি সেউজ ৰঙৰে ৰসাল হৈ পৰে।○


কবিতা

# প্ৰেৰণা শিশুগৃহ

**ৰেখা কোঁচ**
গৃহ-মাতৃ, প্ৰেৰণা শিশুগৃহ

অতিকৈ চেনেহৰ মৰমৰ
মোৰ হৃদয়ৰ আপোন
ঘৰখন হ'ল প্ৰেৰণা শিশুগৃহ
এই গৃহতেই মই পাওঁ
আস্থা, উৎসাহ, একতা, নতুনত্ব,
মৰম, আপোনভাব।
দিনে ৰাতিয়ে থাকো শিশুসকলৰ
মৰম, শ্ৰদ্ধা, হাঁহি-স্ফূৰ্তিৰ মাজত
আহে কেতিয়াবা বিজুলী গাজনী
কিন্তু শিশুসকলৰ মৰমে
সেই খং নোহোৱা কৰে
এনেদৰেই আছো প্ৰেৰণাত
কৰিছো নতুনৰ সৃষ্টি।○

**||কবিতা||**



# ফাগুনৰ ৰং

**বিভা সেনচোৱা**
কেচৰকাৰ, প্ৰেৰণা শিশুগৃহ
ডিব্ৰুগড়

ফাগুনৰ ৰঙা ৰঙীন আভায়ে
আনে নতুনৰ বতৰা
লঠঙা গছ ডালত
ভাঁহে কুমলীয়া হাঁহি
আবিৰৰ ৰঙীন সুবাসে
মতলীয়া কৰে উতনুৱা মনবোৰ
আবেগে ভৰা ফাগুনে কৈ যায়
বহাগ তুমি আহিবা
মনলৈ আনিবা সেউজীয়া হাঁহিবোৰ
নতুনৰ আভাস অনিবা।○

# প্ৰেৰণাৰ কিছু কথাৰ পাতনি

জ্যোৎস্না সোনোৱাল
অধ্যক্ষা, প্ৰেৰণা প্ৰতিবন্ধী N.G.O.

**প্ৰেৰণা শিশুগৃহ পৰিচালনা কৰা প্ৰেৰণা প্ৰতিবন্ধীৰ কিছু কথা ঃ**

প্ৰেৰণা প্ৰতিবন্ধী ডিব্ৰুগড় জিলাৰ দিব্যাংগ যুৱক যুৱতীসকলৰ সংগঠিত এক স্বেচ্ছাসেৱী অনুষ্ঠান।এই স্বেচ্ছাসেৱী অনুষ্ঠানটি গঠন হৈছিল যোৱা ইং ২০০০ চনত। অনুষ্ঠানটিৰ জন্মৰ মূল কাৰণ হল এটি দিব্যাংগ দহ বছৰীয়া পুত্ৰ সন্তানক নিজ পিতৃয়ে হাত ভৰি বান্ধি জীৱন্তে লুইতৰ বুকুত দলিয়াই হত্যা কৰিছিল। পানীত ডুবিবলৈ লওঁতে সন্তানটিয়ে চিঞৰিছিল—'মোক বচোৱা বচোৱা...।' আৰু লোক চক্ষুৰ সন্মুখতে এটি জীৱন্ত দিব্যাংগ শিশু আওমৰণে ভৰ লুইতৰ পানীৰ বুকুত চিৰ দিনলৈ হেৰাই গৈছিল।

এই দিব্যাংগ শিশুটিক জীৱন্তে হত্যা কৰা হৃদয়বিদাৰক ঘটনাটোৱে এদিন প্ৰেৰণা প্ৰতিবন্ধীক জন্ম দিছিল। স্বেচ্ছাসেৱী অনুষ্ঠানটিৰ মূল উদ্দেশ্য ভৱিষ্যতত কোনো দিব্যাংগ শিশুক পিতৃ-মাতৃয়ে অৱজ্ঞা বা অৱহেলিত কৰিব নোৱাৰিব। হত্যা কৰিব নোৱাৰিব। মানৱ সম্পদ হিচাপে দিব্যাংগ শিশু বা ব্যক্তিয়ে সমাজত সমাদৃত হব লাগিব। সামাজিক সম মৰ্যাদা সকলো স্থানতে লাভ কৰিব লাগিব।

প্ৰেৰণা প্ৰতিবন্ধীয়ে অতি কম সময়তে ডিব্ৰুগড় জিলাখনৰ ৭টা খণ্ড উন্নয়নতে দিব্যাংগসকলক সংগঠিত কৰি প্ৰথমতে আত্মসহায়ক গোট গঠন কৰে। এই গোট গঠন কৰাত জিলা প্ৰশাসন, গ্ৰাম্য উন্নয়ন অভিকৰণ লগতে ভাৰতীয় ষ্টেট বেংকৰ পৰা সহায়-সহযোগ, দিহা-পৰামৰ্শ লাভ

কৰা হৈছিল। জিলাখনৰ দিব্যাংগসকলৰ মাজত সজাগতা এনেদৰে স্বেচ্ছাসেৱী অনুষ্ঠানটিয়ে বৃদ্ধি কৰিছিল যাৰ ফলত সাতটা খণ্ড উন্নয়ণৰ পৰা কম সময়তে তিনি চাৰি হাজাৰ সদস্য ভৰ্তিকৰণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল।

২০০৮ চনত প্ৰেৰণা প্ৰতিবন্ধী চৰকাৰী পঞ্জীয়ণকৰণ কৰা হয় আৰু দিব্যাংগসকলৰ বহুমুখী কাম কাজ সফলতাৰে আগবঢ়াই লৈ যোৱা হয়।

প্ৰেৰণা প্ৰতিবন্ধীৰ কাৰ্য্যনিৰ্বাহিক কমিটিখন দিব্যাংগ প্ৰতিভা সম্পন্ন যুৱক যুৱতীয়ে বৰ্তমানলৈকে দায়িত্ব ভাৰ বহন কৰি আছে।

২০১৬ চনত প্ৰেৰণা প্ৰতিবন্ধীক অসম চৰকাৰৰ অধীনত সমাজ কল্যাণ বিভাগে শিশু আইনৰ অধীনত অনাথ, অসহায়, বঞ্চিত শিশুসকলৰ যত্ন আৰু সুৰক্ষাৰ বাবে প্ৰেৰণা শিশুগৃহ পৰিচালনা কৰিবলৈ আইনগত অনুমোদন প্ৰদান কৰে।

ডিব্ৰুগড় জিলা শিশু সুৰক্ষা গোট আৰু জিলা শিশু কল্যাণ কমিটিৰ নীতি নিৰ্দেশনাৰে প্ৰেৰণা প্ৰতিবন্ধী স্বেচ্ছাসেৱী অনুষ্ঠানটিয়ে শিশুগৃহত বিভিন্ন পৰ্য্যায়ৰ শিশু, কিশোৰ কিশোৰীসকলক ১৮ বছৰ বয়সলৈকে শিক্ষা, ক্ৰীড়া, স্বাস্থ্যকে ধৰি সকলোবোৰৰ যত্ন আৰু সুৰক্ষাৰ কাম কৰি আছে।

## প্ৰেৰণা শিশুগৃহলৈ শিশু ভৰ্তিকৰণ প্ৰক্ৰিয়া ঃ

এটি অনাথ, অসহায়, বঞ্চিত, আশ্ৰয়হীনা শিশুক যত্ন আৰু নিৰাপত্তাৰ প্ৰয়োজন হোৱা (CHILD IN NEED OF CARE AND PROTECTION) দেখা যায় তেনে ৫- ১৮ বছৰৰ ভিতৰৰ শিশুক জিলা শিশু কল্যাণ কমিটিয়ে শিশুগৃহত থকাৰ বাবে অনুমোদন জনালে সেই শিশুটিক চাইল্ড হেল্প লাইনে বা আৰক্ষীয়ে লগে লগে শিশুগৃহৰ দায়িত্বত থকা ভাৰপ্ৰাপ্ত অধ্যক্ষাক অৱগত কৰে। শিশুগৃহৰ অধ্যক্ষাগৰাকীৰ নেতৃত্বত গৃহমাতৃ, কেচৱাকাৰ, কাউন্সিলাৰ আদিকে ধৰি সকলো শিশুগৃহৰ কৰ্মীসকলে ন-নিযুক্ত শিশুটিৰ যত্ন আৰু সুৰক্ষাৰ দায়িত্বত সক্ৰিয় হৈ পৰে। শিশুগৃহলৈ

আহিবলগীয়া হোৱা শিশুৰ বৰ্দ্ধিত সংখ্যাই আৰু কৰুণ মুখবোৰে এটা কথা আমাক সকলোকে বুজাই দিয়ে যে বৰ্তমান শিক্ষিত সমাজখনত শিশুৰ প্ৰতি অৱৰ্ণনীয় অত্যাচাৰ, শোষণ, বঞ্চনা, উৎপ্ৰীড়ন ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰিছে। পিতৃ-মাতৃৰ অকাল মৃত্যু, দৰিদ্ৰতা, নিৰক্ষৰতা এই সামাজিক দুৰৱস্থাই শিশুক কৰাল গ্ৰাসত পতিত কৰিছে, ই সত্য। দৰিদ্ৰতাৰ পৰা পিতৃ মাতৃয়ে নিজকে মুক্ত কৰিবলৈ নিজ ফুলকুমলীয়া সন্তানক নিষ্ঠুৰ পাষান ধনী মানুহৰ হাতত কেইটামান টকাৰ বিনিময়ত বিক্ৰী কৰিছে। ঘাট মাউৰা শিশুৰ কৰুণতাই আমাক আজি শঙ্কিত কৰি তুলিছে। আটাইতকৈ শিশুৰ এখন ছবি আজি অতি ভয়ঙ্কৰ ৰূপ লৈছে সি হল সমাজৰ পাষান নিষ্ঠুৰতম নৰৰূপী পিশাচ এচামৰ হাতত আক্ৰান্ত শিশুৰ যৌন নিৰ্য্যাতিন। অকণি পখিলা খেদা ফুলকুমলীয়া বয়সতে নৰ-পিশাচৰ হাতত যৌন নিৰ্য্যাতিনৰ বলি এচাম শিশু, কিশোৰীয়ে, ধৰ্ষিতা, লাঞ্চিতা, মাতৃত্ব বহন কৰিবলগীয়া হোৱাটোৱে আমাক সকলোকে আজি লজ্জিত, মৰ্মাহত কৰিছে।

জিলাই জিলাই গঠন হোৱা শিশুগৃহবিলাক প্ৰকৃততে এনে দুৰ্ভগীয়া শিশুসকলৰ এক নিৰাপদ আশ্ৰয়থলী। সপোন ৰচিবলৈ, খেলিবলৈ , হাঁহিবলৈ আৰু জীৱন গঢ়াৰ পিতৃ মাতৃৰ স্নেহালয়। এক সুস্থ আৰু বিজ্ঞানসন্মত পৰিবেশত এইচাম নিঠৰুৱা, অনাথ, অসহায় শিশুক উপযুক্ত নাগৰিক গঢ়িবলৈ কি চৰকাৰৰ কি ৰাইজৰ সকলোৱে শিশুগৃহসমূহৰ কাষত থাকিব লাগে।

পৃথিৱীৰ সকলো শিশু একে । শিশু অৱস্থাত নিজে একো কৰিবলৈ নোৱাৰে। শিশু বুলিলেই ডাঙৰৰ সহায় লাগিবই। সমাজত সকলো শিশুৰ প্ৰতি সকলো শ্ৰেণীৰ লোকে মৰম স্নেহ, মনোযোগ তথা সহায় সম ভাবে দিব পাৰিলেহে সকলো শিশুক যোগ্য ভৱিষ্যত গঢ়ি তোলাত উচিত অৱিহণা যোগোৱা হ'ব।

**প্ৰেৰণা শিশুগৃহৰ শিশুসকলৰ কল্যাণমুখী কাৰ্য্যসূচী ঃ-**

শিশু অতি সহজ সৰল মনৰ। কিন্তু আমি ডাঙৰসকলে শিশুৰ মন

জগত ভালকৈ বুজিপোৱাত কিছু সময় প্ৰয়োজন হয়। শিশুৰ সৈতে বন্ধুত্ব পতা, বিশ্বাস যোগ্য হোৱাৰ বৰ সহজ নহয় যেন অনুভৱ হয়। কাৰণ শিশুটিয়ে ফুলকুমলীয়া অৱস্থাতে ঘৃণা, অৱজ্ঞা, পাশৱিক অত্যাচাৰ ডাঙৰৰ পৰাই পাবলগীয়া হয়। তেনেস্থলত শিশুগৃহলৈ অহা নিৰ্য্যাতিত শিশুটিয়ে আন এজন ডাঙৰৰ লোকক কেনে ভাবে গ্ৰহণ কৰিব তাক সহজতে অনুধাৱন কৰা কিছু কঠিন। পাশৱিক নিষ্ঠুৰতাৰ বলি হোৱা অবুজ শিশুটিৰ মন প্ৰাণ কিমান যে স্পৰ্শকাতৰ, দুখজনক হ'ব পাৰে সেইয়া আক্ৰান্ত জনেহে বুজিব তাক বুজিবলৈ সঁচাকৈয়ে এখন শিশুপ্ৰেমী বহল কৰুণাময়ী হৃদয়ৰ প্ৰয়োজন। হৃদয়ৰ সঁচা মৰম, মাতৃস্নেহ, আলফুলীয়া ব্যৱহাৰ শিশু অৱস্থাতে ডাঙৰৰ পৰা লাভ কৰাতো অতি প্ৰয়োজন।

প্ৰেৰণা শিশুগৃহত জিলা শিশু কমিটিয়ে অনুমোদন জনোৱা নৱ ভৰ্তিকৰণ শিশুটিক মৰমৰ বন্ধুত্বসুলভ আচৰণ প্ৰদান কৰা হয় যাতে ভয়, খং, শঙ্কা, জেদ বা আবেগিক, হতাশা শিশুটিৰ মনৰ পৰা দূৰ হয়। শিশুক বুজাবলৈ সহজ। শিশুক মৰমৰে খাবলৈ দিলে বা বন্ধুত্ব পাতিলে, সহায় কৰিলে বিশ্বাস সহজতে স্থাপন কৰিব পৰা যায়।

শিশুগৃহলৈ অনা শিশুটিক পৰিষ্কাৰ পৰিচ্ছন্ন কৰি,আহাৰ প্ৰদান কৰি বিশ্ৰাম কৰিবলৈ দিয়া হয়। স্বাস্থ্যৰ প্ৰতি বিশেষ মনোযোগ দিয়া হয়। লাহে লাহে ক্লান্ত বা বিষণ্ণ হৈ থকা শিশুটিয়ে বিশ্ৰাম লোৱাৰ পাচত শিশুগৃহৰ পৰিবেশটো গ্ৰহণ কৰিবলৈ লোৱা বা লগৰীয়াৰ সৈতে মুকলিমুৰীয়া আচৰণ বিধি প্ৰকাশ দেখা যায়।

## প্ৰেৰণা শিশুগৃহৰ দিনলিপি ঃ-

শিশুগৃহৰ শিশুসকলৰ মনোগ্ৰাহীকৈ একোখন দিনলিপি প্ৰস্তুত কৰা হয়। এই দিনলিপি প্ৰত্যেক শিশুৱে পঢ়িবলৈ পোৱাকৈ, দেখা পোৱাকৈ থোৱা হয়। শিশুসকলক এই দিনলিপি স্বতঃফুৰ্তভাবে অনুকৰণ কৰিবলৈ শিকোৱা হয়। প্ৰথম অৱস্থাত নতুন শিশুৱে অনুকৰণৰ প্ৰতি মনোযোগী নহ'লেও লাহে লাহে দিনলিপিক অনুকৰণ কৰা অভ্যাস পৰিণত হোৱা দেখা যায়।

## প্ৰেৰণা শিশুগৃহৰ শিশুসকলৰ দিনলিপি------

## JANUARY- MARCH, 2025

| | | | |
|---|---|---|---|
| ১/ | পুৱা ৫-১৫ বজাত | ঃ | শোৱাৰ পৰা উঠা আৰু দাতঁ মুখ ধোৱা। |
| ২/ | পুৱা ৫-৩০ বজাত | ঃ | যোগাসন। |
| ৩/ | পুৱা ৫-৪৫ বজাত | ঃ | ধ্যান পৰ্ব আৰু প্ৰাৰ্থনা সভা, সাধু নীতি-কথা। |
| ৪/ | পুৱা ৭ বজাত | ঃ | গাখীৰ, জলপান, চাহ, ফলমূল ইত্যাদি। |
| ৫/ | পুৱা ৭-৩০ বজাত | ঃ | অধ্যয়ন। |
| ৬/ | পুৱা ৮-৩০ বজাত | ঃ | গা-ধোৱা, লঘু আহাৰ। |
| ৭/ | পুৱা ৮-৪৫ বজাত | ঃ | বিদ্যালয়। |
| ৮/ | দিনৰ ১১ বজাত | ঃ | ঘৰুৱা শিক্ষয়ত্ৰীৰ পাঠদান। (গৃহত থকা শিশু আৰু কিশোৰ, কিশোৰীসকলৰ) |
| ৯/ | দিনৰ ১-২ বজালৈ | ঃ | আহাৰ। |
| ১০/ | দিনৰ ৩ বজাত | ঃ | বিশ্ৰাম। |
| ১১/ | দিনৰ ৩-৩০বজাত | ঃ | ক্ৰীড়া (কেৰম, ফুটবল, লুডু বেডমিণ্টন, কাবাডি, অন্যান্য)। |
| ১২/ | আবেলি ৫ বজাত | ঃ | ভৰি-হাত ধোৱা, প্ৰাৰ্থনা। |
| ১৩/ | সন্ধিয়া ৫-৩০ বজাত | ঃ | গাখীৰ, জলপান, বিস্কুট। |
| ১৪/ | সন্ধিয়া ৬ বজাত | ঃ | ঘৰুৱা পাঠদান। |
| ১৫/ | ৰাতি ৮ বজাত | ঃ | আহাৰ। |
| ১৬/ | ৰাতি ৮-৩০ বজাত | ঃ | সাধু কথা / গল্প কিতাপ / আলোচনী / বাতৰি কাকত পঢ়া সময় । |
| ১৭/ | ৰাতি ৯ বজাত | ঃ | ধ্যান, শান্তি প্ৰাৰ্থনা, নৈশ বিশ্ৰাম। |

১৮/ প্ৰতি শনিবাৰে দিনৰ ২-৩০ বজাৰ পৰা ৪ বজালৈ অন্‌লাইন প্ৰেৰণা মৌ-কোষ।

১৯/ প্ৰতি দেওবাৰে পুৱা ৭ বজাত যৌগাসন।

২০/ প্ৰতি সপ্তাহত এটিকৈ বহিঃ পাঠ্যক্ৰমিক কাৰ্য্যসূচী যেনে ছবি অকাঁ, হস্ত কলা, নৃত্য-গীত শিকোৱা হয়।

২১/ সপ্তাহত কম্পিউটাৰ প্ৰশিক্ষণ দিয়া হয়।

২২/ প্ৰতি শনিবাৰে ৰাতি ৮.৩০-৯.৩০ বজালৈ আৰু দেওবাৰে দিনৰ ১.৩০-৩.৩০ বজালৈ টি. ভি চোৱাৰ সময়।

গাধোৱা ডায়েৰী নিতৌ লিখা হয়। স্কুললৈ যোৱাৰ সময়ত গৃহমাতৃৰ ওচৰত শপত গ্ৰহণ কৰে।

**স্কুললৈ যাওঁতে লোৱা শপত—**

**মা, আমি স্কুললৈ গৈছোঁ। স্কুলত শিক্ষা গুৰুৰ বাক্য মানি চলিম। লগৰীয়াৰ সৈতে মিলিজুলি থাকিম। মা আমি তোমাৰ সন্তান তোমাৰ সন্মান সদায় ৰক্ষা কৰিম।**

আহাৰ খোৱাৰ সময়ত গোৱা প্ৰাৰ্থনাটো—

**হে ভগৱান!**

**আমি যেনেকৈ আহাৰ খাইছোঁ আমাৰ নিচিনা সৰু সৰু সকলো ল'ৰা-ছোৱালীয়েও আহাৰ খাবলৈ পাই যেন।**

**ৰান্ধনী মাসকলে আহাৰ ৰান্ধি দিয়াৰ বাবে আমি ধন্যবাদ জনাইছোঁ। লগতে মাসকলে আমাক সকলো ক্ষেত্ৰতে সহায় কৰা বাবে সেৱা জনাইছোঁ। পৰিয়ালৰ সকলোৰে মঙ্গল হওক, আমাৰো মঙ্গল হওক।**

বিশেষ কেইটামান কাৰ্য্যসূচী প্ৰেৰণা শিশুগৃহৰ শিশুসকলৰ অতি প্ৰিয় আৰু নিয়মীয়াকৈ পালন কৰি আহিছে--


**পুৱা ৫-৪৫ বজাৰ পৰা ৬-৪৫ বজালৈকে —**

প্ৰেৰণা শিশুগৃহত প্ৰতিটো ব্ৰহ্ম পুৱাত শিশুসকলে যোগ শিক্ষয়িত্ৰীৰ পৰিচালনাত প্ৰাণায়াম, ধ্যান কৰি অহা আজি তিনিবছৰত ভৰি দিছে। ধ্যান ব্ৰহ্ম পুৱা আৰু ৰাতি শোৱাৰ প্ৰাক মুহূৰ্তত কৰা হয়।

এই নিয়মে শিশুসকলক শৃঙ্খলাবদ্ধতা, নম্ৰতা, কৰ্তব্যপৰায়ণ কৰি তোলাত সহায়ক হৈছে। শিশুগৃহৰ অধ্যক্ষাই শিশুসকলক প্ৰাৰ্থনা পৰিচালনা কৰে। নীতি শিক্ষামূলক সাধু প্ৰতিটো পুৱাতে একোটিকৈ শিশুসকলক প্ৰেৰণা স্বেচ্ছাসেৱী অনুষ্ঠানৰ অধ্যক্ষাই শুনাই। পুৱাতে শিশুসকলৰ মন ধ্যান, প্ৰাৰ্থনা আৰু সাধুকথাৰে সজীৱ আৰু ৰসাল হৈ পৰে।

প্ৰতি দেওবাৰে সমীক্ষা নামৰ শিতানত শিশুসকলক সপ্তাহটোত শুনা সাধুকথাসমূহৰ ভিতৰত নিজৰ প্ৰিয় সাধুকথা ক'বলৈ দিয়া হয়। সমীক্ষা

সঞ্চালনা কৰে শিশুগৃহৰ অধ্যক্ষাই। এইসকলো কাৰ্যসূচী অনলাইনৰ মাধ্যমত সম্পাদনা কৰে গায়ত্ৰী বড়াই।




**মৌকোষ ঃ**

প্ৰতি শনিবাৰে দিনৰ ২-৩০ বজাত অনলাইন যোগেদি অনুষ্ঠিত হোৱা মৌকোষ অনুষ্ঠানটিয়ে শিশুসকলৰ বৌদ্ধিক মানসিক বিকাশত এক অন্যন্য সহায়ক কাৰ্য্যসূচী। এই মৌকোষত শিশুসকলে স্বৰচিত কবিতা পাঠ অনুষ্ঠানেই অতি মনোগ্ৰাহী হৈ পৰে। থুনুক থানাক মাতেৰে তেওঁলোকৰ অন্তৰৰ ফাকেদি বাহিৰলৈ ওলাই অহা কবিতাবোৰ আকাশৰ কলীয়া ডাৱৰ ফালি ওলাই অহা বেলিৰ ৰ'দৰ দৰে সঁচাকৈয়ে প্ৰশংসনীয়। মৌকোষত সমল ব্যক্তিৰ কথিকা, অন্তৰঙ্গ আলাপ আদি অনুষ্ঠানে শিশুসকলক যথেষ্ট উৎসাহ উদগণি যোগাই আহিছে।




**শিশুসকলৰ উমৈহতীয়া জন্মদিন উদ্‌যাপন**

প্ৰতি বছৰৰ ১১ এপিলত প্ৰেৰণা শিশুগৃহৰ সকলো শিশুৰ উমৈহতীয়া জন্মদিন দিনযোৰা কাৰ্য্যসূচীৰে পালন কৰা হয়। সাহিত্য ৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ বুঢ়ীআইৰ সাধু তেজীমলা, তেজা আৰু তোলা, চম্পাৱতী, চিলনী জীয়েকৰ সাধু, কাঞ্চনী সাধুসমূহৰ আধাৰত নাট্যৰূপৰ সুন্দৰ অভিনয় শিশুসকলে নাট মঞ্চস্থ কৰিছে। এই বছৰতো এঘাৰ এপ্ৰিলত শিশুসকলে উমৈহতীয়া জন্মদিনত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ 'লটকণ' সাধুৰ নাট্যৰূপ 'এলেহুৱাৰ দুৰ্গতি'

নাট অভিনয় কৰিবলৈ এমহীয়া নাট পৰিচালনা আৰু প্ৰশিক্ষণ নাট্য শিল্পী ৰাজীৱ দাসে দি আহিছে।




প্ৰেৰণা শিশুগৃহত শিশুসকলক সংগীত প্ৰশিক্ষণ শিল্পী ভূবন গগৈ, নৃত্য দেৱকৃষ্ণ হাজৰিকাই প্ৰশিক্ষণ দিছে। এই দুয়োগৰাকী বিশিষ্ট শিল্পীৰ তত্ত্বাৱধানত শিশুসকলৰ সুন্দৰ প্ৰতিভা বিকাশ ঘটিছে।

প্ৰেৰণা শিশুগৃহত নতুন শিশুসকলক সদায় প্ৰথমে ছবি আঁকিবলৈ দিয়া হয়। ছবিৰ মাজেদি শিশুৰ কল্পনা জগতখন ৰঙীন হয় আৰু নিজে আঁকা ৰঙীন ছবিয়ে শিশুটিক আশ্বাস আৰু বিশ্বাসৰ ভাব জগাই তোলে। দুগৰাকী মুকবধি শিল্পী ৰিজুমনি চেতিয়া আৰু লীণা পাঠকৰ তত্ত্বাৱধানত শিশুসকলে ছবি, শিল্পকলাৰ কাম শিকিছে।











শিশুসকলৰ ব্ৰহ্মপুৱা আৰু ৰাতি শোৱাৰ প্ৰাকমুহূৰ্তৰ ধ্যান, আহাৰ খোৱা মুহূৰ্ত, নিদ্ৰাৰ বিদ্যালয়লৈ যোৱাৰ কেইটিমান মুহূৰ্ত







শিশুসকলৰ নাট কৰ্মশালা আৰু হস্ত শিল্প প্ৰশিক্ষণৰ দৃশ্যাংশ

# শিশুসকলৰ প্ৰতিভা আৰু দক্ষতা














সমগ্ৰ শিক্ষা, ডিব্ৰুগড়

# শিশুসকলৰ হস্তশিল্প













# শিশুসকলৰ প্ৰতিভাৰ স্বীকৃতি পত্ৰ


























CERTIFICATE
OF APPRECIATION
This certificate is presented to Dipanjali Gogoi of Class-IX-B who has secured 1st position in Art & Craft Competition organized by the "Youth & Eco Club" of Dibrugarh Govt. Girls' H. S. & M. P. School on the occasion of "World Environment Day" on 5th June-2024
Coordinator
Principal



অসম চৰকাৰ
ডিব্ৰুগড় জিলা আয়ুক্ত কাৰ্য্যালয়
ডিব্ৰুগড়
প্ৰমাণ পত্ৰ


অসম চৰকাৰ
ডিব্ৰুগড় জিলা আয়ুক্ত কাৰ্য্যালয়
ডিব্ৰুগড়
প্ৰমাণ পত্ৰ


'অনুপম মহিলা পাৰিজাত' চৌকিডিঙী উদয়পুৰ, ডিব্ৰুগড়
স্থাপিত ঃ ২০২২
অংশগ্ৰহণকাৰীৰ প্ৰমাণ পত্ৰ


Sri Sri Jagannath Cultural Trust
Khanikar, Baughpara, Dibrugarh, Assam
ESTD:2014
CERTIFICATE
OF
PARTICIPATION
This certificate is presented to
For the participation in the


'অনুপম মহিলা পাৰিজাত' চৌকিডিঙী উদয়পুৰ, ডিব্ৰুগড়
স্থাপিত ঃ ২০২২
অংশগ্ৰহণকাৰীৰ প্ৰমাণ পত্ৰ


ANNUAL SPORTS
GOVERNMENT BOYS' HIGHER SECONDARY SCHOOL
DIBRUGARH
Special Proficiency Certificate

# প্ৰেৰণা শিশুগৃহৰ শিশুসকলৰ শপত বাক্য

(১) প্ৰেৰণা শিশুগৃহ আমাৰ ঘৰ।
আমি সকলোৱে মিলিজুলি থাকিম।

(২) আমি সদায় সত্য কথা ক'ম।

(৩) আমি পঢ়া-শুনা কৰিম।

(৪) আমি কেতিয়াও গৰ্হিত কাম নকৰোঁ।

(৫) আমি ভাল মানুহ হ'ম।

(৬) আমি সদায় পৰিস্কাৰ হৈ থাকিম।

(৭) য'তে ত'তে থুই-খেকাৰ, জাবৰ-জোঁথৰ নেপেলাও আনকো পেলাবলৈ নিদিওঁ।

(৮) আমি পৰিস্কাৰ হ'লেহে আমাৰ পৰিৱেশ পৰিস্কাৰ হ'ব।

(৯) মিলিজুলি আমাৰ ধৰ্ম।

(১০) প্ৰেৰণা শিশুগৃহ এটা ডাঙৰ পৰিয়াল।

প্ৰেৰণা শিশুগৃহৰ শিশুসকলৰ

# উমৈহতীয়া জন্মদিনৰ

১১/০৪/২০২৫

(প্ৰেৰণা প্ৰতিবন্ধী, ডিব্ৰুগড়ৰ সৌজন্যত)

**এমহীয়া নাট প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানৰ নাট মঞ্চস্থ ও বিচিত্ৰানুষ্ঠান**

স্থান ঃ শ্ৰী শ্ৰী আউনীআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহ, কাছাৰবাৰী, ডিব্ৰুগড়

## নিমন্ত্ৰণী পত্ৰ

প্ৰতি,
শ্ৰীযুত / শ্ৰীযুতা ..............................................................................
..............................................................................

নমস্কাৰ,

প্ৰেৰণা শিশুগৃহৰ শিশুসকলৰ উমৈহতীয়া জন্মদিন উপলক্ষে বিশেষ কাৰ্যসূচীৰ অনুষ্ঠানলৈ আপোনাক / আপোনালোকক সাদৰেৰে নিমন্ত্ৰণী জনালোঁ।

আপোনাক জন্মদিনৰ কাৰ্য্যসূচীৰ .............................................................. আসনৰ বাবে সাদৰেৰে নিমন্ত্ৰণ জনালোঁ।

আপোনালোকৰ অমূল্য উপস্থিতিৰে শিশুসকলক উৎসাহ-উদ্দীপনা আশীষ আগবঢ়াই অকণিসকলৰ উজ্জ্বল ভৱিষ্যতৰ বুনীয়াদ গঢ়ি তুলিব - আমি আশাবাদী।

ধন্যবাদেৰে ...

(জ্যোৎস্না সোনোৱাল) (বিৰু কুমাৰ সিং) (মহেশ কৈৰী) (পাপৰি বৰুৱা)

প্ৰেৰণা শিশুগৃহৰ শিশুসকলৰ

# উমৈহতীয়া জন্মদিনৰ

১১/০৪/২০২৫

(প্ৰেৰণা প্ৰতিবন্ধী, ডিব্ৰুগড়ৰ সৌজন্যত)

## এমহীয়া নাট প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানৰ নাট মঞ্চস্থ ও বিচিত্ৰানুষ্ঠান

স্থান ঃ শ্ৰী শ্ৰী আউনীআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহ, কাছাৰবাৰী, ডিব্ৰুগড়

## কাৰ্যসূচী

পুৱা ১০-০০ বজাত ঃ বন্তি প্ৰজ্বলন - শ্ৰীযুতা নন্দিতা বৰুৱা, অতিৰিক্ত উপায়ুক্ত, ডিব্ৰুগড়
শ্ৰীযুতা ৰীমা কৃষ্ণা হালৈ, সমাজ কল্যাণ বিষয়া, ডিব্ৰুগড়।

মাতৃ বন্দনা ঃ প্ৰেৰণা পৰিয়ালৰ পৰিৱেশন।
আদৰণীয় মাতৃ ঃ শ্ৰীযুতা প্ৰণিতা কোঁৱৰ, প্ৰেৰণা শুভাকাঙ্খী

পুৱা ১১-০০ বজাত ঃ শিশুসকলৰ উমৈহতীয়া জন্মদিনৰ
কেক্ ৰসাস্বাদন ঃ পৰিৱেশন ১। শিশু কল্যাণ কমিটি, ডিব্ৰুগড়।
২। ডাঃ আলোক চৰকাৰ, উপদেষ্টা, প্ৰেৰণা প্ৰতিবন্ধী।

পুৱা ১১-১৫ বজাত ঃ প্ৰেৰণা আলোক যাত্ৰা ঃ উদ্বোধক - শ্ৰীযুত অভিজিৎ শইকীয়া
সচিব, জিলা আইন সেৱা প্ৰাধিকৰণ, ডিব্ৰুগড়।

পুৱা ১১-৩০ বজাত ঃ 'আমাৰ আশা' ঃ উন্মোচক - ইকবাল আহমেদ
জ্যেষ্ঠ সাংবাদিক, ডিব্ৰুগড়।

পুৱা ১১-৩৫ বজাত ঃ প্ৰেৰণাৰ শুভাকাঙ্খী বিশেষ ব্যক্তিলৈ সম্বৰ্ধনা।

দিনৰ ১২-০০ বজাত ঃ শিশু সকলৰ নাট আৰু বিচিত্ৰানুষ্ঠান ঃ উদ্বোধক - শ্ৰীযুত প্ৰাঞ্জল চাংমাই
পৰিচালন সঞ্চালক, ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ আৰু পলিমাৰ লিমিটেড, ডিব্ৰুগড়।
ঃ উপ মহা প্ৰবন্ধক, ভাৰতীয় ষ্টেট বেংক, ডিব্ৰুগড়

মুখ্য অতিথি ঃ ডঃ কৰবী ডেকা হাজৰিকা, বিশিষ্ট সাহিত্যিক, ডিব্ৰুগড়।

আমন্ত্ৰিত অতিথি ঃ সহকাৰী মহা প্ৰবন্ধক, ভাৰতীয় ষ্টেট বেংক, ডিব্ৰুগড়।
এলেক্স দলে, জিলা শিশু সুৰক্ষা বিষয়া, ডিব্ৰুগড়।
শ্ৰীযুত বিনয় গাৰোডিয়া, প্ৰাক্তন সভাপতি, মাৰোৱাৰী যুৱ মঞ্চ, ডিব্ৰুগড়।
হেল্পিং হেণ্ড সদস্য, ডিব্ৰুগড়।
সভাপতি / সম্পাদক মানকটা শাখা সাহিত্য সভা, ডিব্ৰুগড়।
সভানেত্ৰী / সম্পাদিকা দক্ষিণ ডিব্ৰুগড় সাংস্কৃতিক মহিলা চ'ৰা।